চান্দমামা

ফেব্ৰুৱাৰি ১৯৯২



মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ
অসমীয়া, হিন্দী, গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক ।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 105.00 ● উৰাজাহাজ-যোগে 216.00

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 111.00 ● উৰাজাহাজ-যোগে 216.00

আপোনাৰ বৰঙণি বেংক ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ
চাৰ্কুলেশ্যন মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

মৰমৰ অকণিহঁত!
তোমালোকে বাৰু জনী
জ'কাৰক নচুৱাব পাৰানে?
হয়, পাৰা!
কৰেচ-প্ৰিট
পাৰাৰৰ সহায়ত।
দেখি ভাল লগা
আটকধুনীয়া !
পৰিষ্কাৰ আৰু লেঠা নাইকিয়া !
কৰেচ প্ৰিট গ্লু ষ্টিক'এৰে কাম
কৰাৰ আনন্দ লোৱাঁ। অতিকে
সহজ, পৰিষ্কাৰ আৰু খৰটকীয়া।
পনীয়া গমৰ দৰে লেঠা নবঢ়ায়।
কৰেচ প্ৰিট গ্লু ষ্টিক আৰু ৰংচঙীয়া
কাগজেৰে ধুনীয়া ধুনীয়া বস্তু সাজাঁ। স্কুলৰ
কামৰ বাবে, আন শিল্পৰ বাবে, মা-দেউতা
আৰু বন্ধু-বান্ধৱক উপহাৰ দিবলৈও।
দুটা চাইজত পোৱা যায় :
18 গ্ৰাম আৰু 9 গ্ৰাম মুঠ
বিপণন :
কৰেচ
Pritt
Glue Stick
Kores
AKA/481/AS
বিনামূল্যে !
জনী জ'কাৰ সজাৰ কৌশল : আজিয়েই লিখক; 1 টকাৰ টিকট লগোৱা নিজৰ ঠিকনা থকা লেফাফা এখনো লগতে দিয়ক। এই ঠিকনালৈ : কৰেচ (ইণ্ডিয়া) লিমিটেড, পোঃ বঃ নং 6558, ৰ্লি, বম্বে 400 018

Don't you owe the
See my tail It's out of a Fairy Tale
Nice 'n' funny I'm a Bunny
Foxy is my name But I'm oh-so tame
Your Bear Hugs are warmer than mine

little one a cuddles?
I can't chas
no mice
But I'm
soft 'n' nice
Give the
Li'l Panda
a Handa
No carrots to eat
But I'm a treat
u hug me tight
w I'll give you
ride
CUDDLES
CHANDAMAMA TOYTRONIX

চান্দমামা

*

ফেব্ৰুৱাৰি ১৯৯২

এই সংখ্যাত আছে

*

সাহসিকতাৰ পুৰস্কাৰ	:	৯
আচল যাদু	:	১১
মহাত্মাৰ কথা	:	১৬
অপূৰ্ব-কাহিনী	:	১৭
প্ৰকৃত জ্ঞান	:	২৫
সামান্য-অসামান্য	:	৩০
চান্দমামা-ক্ৰোড়পত্ৰ	:	৩৩
জয়-পৰাজয়	:	৩৭
অধিকাৰতকৈ ডাঙৰ	:	৪১
বীৰ হনুমান	:	৪৫
অতৃপ্ত মানৱ	:	৫৩
ধৰ্মযুদ্ধ	:	৫৬
বাহিৰত ৰং-চং	:	৬০
বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য	:	৬৩

*

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

হাঁহিৰ উৎস-সন্ধানত

কেনেকৈনো সদা-সৰ্বক্ষণ হাঁহিমুখীয়া হৈ থাকিব পাৰি ? কিছুমান স্কুলীয়া ছাত্ৰে এই প্ৰশ্নটো সুধিছিল আৰু উত্তৰো পাইছিল : কঠোৰ শ্ৰম কৰা, সৎ আৰু বিশ্বস্ত হোৱা, দেশক ভাল পোৱা আৰু সদায় কৰ্তব্যকৰ্ম কৰি থকাটোৱেই হাঁহি আৰু আনন্দৰো উৎস।

এই উত্তৰ দিছিল ভাৰতৰ ৰাষ্ট্ৰপতিয়ে—দিল্লীৰ এখন বিদ্যালয়ৰ ছাত্ৰ কিছুমানৰ আগত। ছাত্ৰইঁতে টি, ভি.ত ৰাষ্ট্ৰপতিক বহুবাৰ দেখিছিল আৰু প্ৰতিবাৰেই হাঁহি থকা অৱস্থাত দেখা পাই সিঁহতো এই 'হাঁহিৰ উৎস সন্ধানত' কৌতূহলী হৈ ৰাষ্ট্ৰপতিকে এক বিশেষ প্ৰেছ কনফাৰেন্সত সুধিছিলগৈ কথাটো।

তেওঁ এই হাঁহিৰ উৎসৰ কথা কওঁতে কেৱল ব্যক্তিগত হাঁহিৰ কথাই নহয়, দেশেও যে কঠোৰ শ্ৰম, একাগ্ৰতা আৰু সততাৰে হাঁহিব পাৰে, সেই কথাটোও ছাত্ৰইঁতক বুজাই কৈছিল। যেনে—বিগত দ্বিতীয় বিশ্বযুদ্ধত জাৰ্মানি আৰু জাপান একেবাৰে বিধ্বস্ত হৈছিল। কিন্তু ভস্মৰ মাজৰপৰা পুনৰ মূৰ দাঙি উঠা কিংবদন্তীৰ ফিনিকৃচৰ (কাল্পনিক চৰাই) দৰে কঠোৰ শ্ৰম আৰু অধ্যৱসায়েৰে সেই দেশ দুখনৰ মুখত পুনৰ হাঁহিয়ে জিলিকিছে।

সদৌ শেষত—কৰ্তব্যকৰ্মৰ কথা। আমাৰ পবিত্ৰ শাস্ত্ৰগ্ৰন্থই আৰু এখোজ আগবাঢ়ি কৈছে : কেৱল কৰ্ম কৰা, ফলৰ আশা নকৰিবা। শাস্ত্ৰৰ তথা বিজ্ঞ লোকৰ কথা মতে জীৱনপথলৈ খোজ দি থাকিলে প্ৰত্যেকেই হাঁহি আৰু আনন্দৰ উৎস বিচাৰি পাব।

বছৰ : ১৬   ফেব্ৰুআৰি ১৯৯২   সংখ্যা : ১১
খনে : ৪.০০ টকা   :   বছৰেকীয়া বৰঙণি : ৪৮.০০ টকা

''मेरि'' गोल्ड कवरिंग गहने अपनी श्रेष्ठता, अनुपम 'लाजवाब' मनमोहक डिसैनों से दुनियाँ की सारी स्त्रियों के दिलों में शाश्वत जगह पाये हैं । आपको कैसा नम्बर चाहिये यह हमें लिखकर बताइये । वि.पि.पि. द्वारा भेजा जायेगा । मुफ्त केटलाग के लिये आज ही हमें लिखिये, ।



MERI GOLD COVERING WORKS

P.O.BOX 1405, 14, RANGANATHAN STREET
T.NAGAR, MADRAS - 600 017, PHONE: 444671



সাহসিকতাৰ পুৰস্কাৰ

এই বছৰৰ 'শান্তিৰ বাবে ন'বেল বঁটা' মিয়ানমাৰ (মানদেশ)ৰ শ্ৰীমতী আং ছান্ স্যু কী-য়ে পালে। ভাৰতৰ পক্ষেও এই বঁটা অতি সন্তোষ তথা সন্মান-জনক। কিয়নো আং ছান্ স্যু কী-ৰ প্ৰাৰম্ভিক শিক্ষা দিল্লীত। তেতিয়া তেওঁৰ মাতৃ ভাৰতত ব্ৰহ্মদেশৰ ৰাজদূত হৈ আছিল।

দুটি সন্তানৰ জননী আং ছান্ স্যু-কীৰ বয়স ৪৬ বছৰ। "সমগ্ৰ বিশ্বত স্বাধীনতা তথা মানৱিকতাৰ বাবে যিসকলে যুঁজি আছে তাৰ মাজত শ্ৰীমতী আং ছান্ স্যু কী-ৰ স্থান অত্যুচ্চ। ৰক্তপাতবিহীন শান্তি-পূৰ্ণ এই স্বাধীনতা-সংগ্ৰাম আছিল অনন্য। এই সাহসিকতা অতুলনীয়।"

ন'বেল কমিটিয়ে শ্ৰীমতী স্যু কী-লৈ এই প্ৰশংসাবাণীৰে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছিল।

আধুনিক ব্ৰহ্মদেশ তথা মিয়ানমাৰৰ ৰূপ-কাৰ বিখ্যাত নেতা আউং ছান্ আছিল শ্ৰীমতী সু কী-ৰ পিতাদেউ। আংউস আউং ছানেই বৃটিছ অধিকাৰৰপৰা ব্ৰহ্মদেশক মুক্ত কৰিছিল। কিন্তু ব্ৰহ্মদেশ যেতিয়া স্বাধীন হ'ল, দুৰ্ভাগ্যবশতঃ ১৯৪৭ চনৰ ১৯ জুলাইৰ দিনা আঠগৰাকী সংগীৰে সৈতে আউং ছানক হত্যা কৰা হ'ল। তেতিয়া আজিৰ স্যু কী আছিল মাত্ৰ দুই বছৰীয়া শিশু।

দিল্লীত কলেজীয়া শিক্ষা সমাপ্ত কৰি স্যু কী অক্সফ'ৰ্ডলৈ গৈ ৰাজনীতি আৰু অৰ্থনীতিত উচ্চশিক্ষা গ্ৰহণান্তে কিছুদিনৰ

বাবে লণ্ডন বিশ্ববিদ্যালয়ত আৰু কিছুদিনৰ বাবে সংযুক্ত ৰাষ্ট্ৰসংঘত চাকৰি কৰিছিল। তাৰ পাছত, এগৰাকী ইংৰাজক বিয়া কৰাই পুনৰ ইংল্যাণ্ডলৈ গ'লগৈ। তাৰ পাছত পুনৰ ভাৰতলৈ প্ৰত্যাৱৰ্তন কৰি ছিমলাস্থিত ইণ্ডিয়ান ইনষ্টিটিউট অভ্ অ্যাডভান্স স্টাডিজত ভৰ্তি হ'ল। ইয়াত থাকোঁতেই তেওঁ দুখন অতি মূল্যৱান আৰু তথ্যমূলক কিতাপ লিখিছিল। এখন তেওঁৰ পিতাদেৱৰ জীৱনী, আনখন আছিল শিশুহঁতক ব্ৰহ্মদেশৰ সম্পৰ্কে আলোকপাত কৰা তেওঁৰ বিখ্যাত কিতাপ 'লেট আছ্ ভিজিট বাৰ্মা'।

তাৰ পাছত তেওঁ পুনৰ লণ্ডনলৈ উভতি গ'ল আৰু তাত থাকোঁতে তেওঁৰ মাতৃৰ টান অসুখৰ বাতৰি পাই পুনৰ ৰেংগুনলৈ গুচি গ'ল।

তেতিয়া, জেনাৰেল নে উইনৰ শাসনত ব্ৰহ্মদেশৰ জনসাধাৰণ অতিষ্ঠ। ১৯৮৮ চনত শ্ৰীমতী স্যু কী যেতিয়া পুনৰ ব্ৰহ্মদেশলৈ আহিল তেতিয়া জনগণে তেওঁৰ নেতৃত্বত যুঁজিবলৈ সাজু হ'ল। শাসকদলে শ্ৰীমতী স্যু কী-ৰ গতিবিধিৰ ওপৰত তীক্ষ্ণ দৃষ্টি দিবলৈ ধৰিলে। অগাস্টৰ ৮ তাৰিখৰ দিনা এক ছাত্ৰ আন্দোলন চৰকাৰে নিৰ্মমভাবে দমন কৰিলে। ব্ৰহ্মদেশৰ প্ৰকৃত স্বাধীনতাৰ বাবে বিগত ত্ৰিছ বছৰ জোৰা আন্দোলনৰ ৰেহ-ৰূপ দেখা পোৱা স্যু কী নিৰৱ হৈ নাথাকিল। ছেপটেম্বাৰৰ ১২ তাৰিখৰ দিনা বিৰাট জন-সমাবেশত স্যু কী-য়ে এই দাবী জনালে যে দেশত অন্তৰ্বৰ্তী চৰকাৰ গঠন কৰি সেই অন্তৰ্বৰ্তী চৰকাৰৰ তত্বাৱধানত সাধাৰণ নিৰ্বাচন কৰা হওক।

লগে লগে অন্য দুগৰাকী বৰ্ষীয়ান নেতাৰ লগ লাগি স্যু কী-য়ে 'ন্যাশ্যনাল লিগ্ ফৰ ডেম'ক্ৰেছি' নামৰ এক ৰাজনৈতিক পাৰ্টি স্থাপন কৰিলে আৰু স্যু কী হ'ল এই ৰাজনৈতিক পাৰ্টিৰ প্ৰধান নেত্ৰী।

১৯৮৯ চনৰ ১৯ জুলাইৰ দিনা 'শ্বহীদ দিৱস'ত তেওঁ তেওঁৰ পিতৃ আউং ছান্-ৰ ৪২ তম স্মাৰক বৰ্ষ উপলক্ষ্যে এক বিৰাট জনসমাবেশত তথা সমদলত নেতৃত্ব কৰাৰ অপৰাধত তৎকালীন চৰকাৰে স্যু-কী-ক গৃহবন্দী কৰিলে।

এতিয়াও তেওঁক মুক্তি দিয়া হোৱা নাই আৰু কেতিয়া যে মুক্তি দিয়া হ'ব তাৰো কোনো স্থিৰতা নাই। তথাপি, ১৯৯০ চনত অনুষ্ঠিত সাধাৰণ নিৰ্বাচনত এন. এল. ডি. পাৰ্টিয়ে এক অভূতপূৰ্ব সাফল্য লাভ কৰিলে। এই পাৰ্টিয়ে নিৰ্বাচনত শতকৰা ৮০ ভাগ আসন অধিকাৰ কৰিলে। কিন্তু জনগণৰ ৰায় উপেক্ষা কৰি বৰ্তমান চৰকাৰে স্যু-কী-ৰ পাৰ্টি এন. এল. ডি-লৈ ক্ষমতা হস্তান্তৰ কৰাত অস্বীকৃত হ'ল।

কিন্তু ইমান প্ৰৰোচনা সত্বেও আং স্যু কী-য়ে সামান্যতম হিংসাৰ আশ্ৰয়ো নল'লে, প্ৰতীক্ষা কৰি আছে মানৱতাৰ শান্তিপূৰ্ণ বিজয়লৈ। ন'বেল কমিটিয়ে স্যু কী-ৰ এই ধৈৰ্য, স্থৈৰ্য তথা অপূৰ্ব মানসিক তথা মানৱিক সাহসিকতালৈ শান্তিৰ বাবে ন'বেল-বঁটা প্ৰদান কৰি স্যু কী-লৈ তথা বিশ্ব মানৱতালৈ স্বীকৃতি প্ৰদান কৰিলে।

আচল যাদু

কোল্‌হাপুৰৰ অটব্য অৰণ্যত লাল টিলা নামৰ টিলা এটাৰ ওপৰত খেতৰ সাইজ জনা এজনী যাদুকৰী বুঢ়ী আছিল। এই যাদুকৰী বুঢ়ীৰ লগত আছিল বুঢ়ীৰ তোলনীয়া জীয়েক কমলা। কমলা এতিয়া দশ-ডাঙৰ হ'ল। তায়েই বুঢ়ী যাদুকৰীক চোৰা-মেলা কৰে, বুঢ়ীৰ যতমানে কাম কৰে, আলপৈচান ধৰে।

এদিন গাৰ নোম নেদেখা হোৰাত এজন যুৱকক লালটিলাত ঘূৰা-ফুৰা কৰি থকা দেখা গ'ল। যুৱকক দেখা পায়েই বুঢ়ী যাদুকৰীৰ মেকুৰী-চকুযুৰি ৰঙা হৈ উঠিল আৰু হাত-বাউল দি যুৱকক মাতিলে। যুৱকে দৌৰি দৌৰি বুঢ়ী-যাদুকৰীৰ কাষ পালেহি। বুঢ়ীয়ে যুৱকক ডাবি মাৰি ক'লে, "তোমাৰ সাহস তো কম নহয়। তুমি কোন? এই লালটিলালৈ কিয় আহিছা? কি লাগে তোমাক?"

"পেহীদেউ!" যুৱকে, কন্দনামুৱা হৈ ক'লে, "মৰণেই যাৰ শৰণ, তাৰনো ভয়ৰ আৰু কি কাৰণ?"

"তোমাৰ দৰে এটা দহ বাঘে খাব নোৱৰা ডেকাই কিয়নো নাকত বাতি লগাই আহি নাকৰ পানী চকুৰ পানীৰে একাকাৰ কৰিছা? তোমাৰনো কি বিপদ হ'ল?" যাদুকৰী বুঢ়ীয়ে কুমলি সুধিলে।

তিমানতে কমলাই এলোটা খোৱাপানী যুৱকক দিলেহি।

যুৱকে পানী খাই অলপ সুস্থিৰ হৈ ক'লে, "পেহী, মোৰ নাম হ'ল সুৰথ। আমাৰ চুবুৰীয়া অখিলাক মই ভাল পাওঁ। কিন্তু তাইৰ দেউতাৰাই তাইৰ কাৰণে

গৌৰৱ গগৈ

অন্য দৰা বিচাৰি থকা হৈছে। মই আজিয়েই মোৰ অখিলাৰ দেউতাৰাক কৈছিলোঁগৈ যে মই অখিলাক বিয়া কৰাম। মোৰ কথা শুনি তেওঁ সাতকুৰা অগ্নিমূৰ্তি হৈ ক'লে যে এটা পাই পইচাৰো মোল নথকাৰ লগত তেওঁ তেওঁৰ ছোৱালীক যোৰা পাতি দিব নোৱাৰে। যাৰ নিজৰে খাব-জীৱৰ নাই লখ তাৰনো কিয় বিয়াৰ চখ ? এইদৰে নানান অপমানেৰে থকা-সৰকা কৰি তেওঁ মোক তেওঁৰ ঘৰৰপৰা খেদি দিলে। এইদৰে জীয়াই থকাতকৈ মৰণো যে ভাল—সেই কথা ভাবি তোমাৰ শৰণ ল'লোঁহি।"

যুৱকৰ এই কথাৰ উত্তৰত যাদুকৰী বুঢ়ীয়ে একো নোকোৱাকৈ টিলাৰপৰা নামি পুখুৰী এটাৰ পাৰলৈ আহি কিচ কিচ কৰে ক'লা বৰণৰ পানী-কুকুৰা এজনীৰ ডিঙিত থাপ মাৰি ধৰি লৈ আহিল।

"পেহী, তুমি মোক এইজনীৰ মঙহেৰে ভোজ খুৱাবানে কি ?" সুৰথে সুধিলে।

"নহয় অ'—!" যাদুকৰী বুঢ়ীয়ে সুৰথক ক'লে, "এই জনী ক'লী-কুকুৰা এক বিচিত্ৰ কুকুৰা। যেতিয়াই লাগে তেতিয়াই এইজনীয়ে কণী দিব। তুমি এইজনীক লৈ যোৱা, আৰু অখিলাৰ দেউতাৰক এইজনীক দেখুৱাই বুজাই কোৱাগৈ যে—এইজনীৰ কণী বেচিয়েই তুমি তোমাৰ সংসাৰখন স্বচ্ছন্দে আৰু সুকলমে চলাব পাৰিবা।'

যাদুকৰী বুঢ়ীৰ কথা মতে সুৰথে কুকুৰাজনীক লৈ গুচি গ'ল।

কিন্তু পাছদিনাই পুনৰ গধূলিৰ আগে আগে সেই কুকুৰাজনীক লৈ ঘূৰি অহাত যাদুকৰী বুঢ়ীয়ে অবাক মানি সুৰথক সুধিলে, "কি হ'ল ? বেজাৰ মুখেৰে ঘূৰি আহিলা যে— ?"

কমলাজনীয়ে তেতিয়া চামেলী ফুল বুটলি আছিল। সুৰথক দেখা মাত্ৰেই তাই জুপুৰিৰপৰা এলোটা খোৱাপানী লৈ

আহিল। পানীছুনি খাই সুৰথে বুঢ়ী যাদুকৰীক ক'লে, "কুকুৰাজনীৰ বৃত্তান্ত অখিলাৰ দেউতাৰাক বুজাই কোৱাত তেওঁ ক'লে যে তেওঁলোকৰ বগা মেকুৰীজনীয়ে এতিয়াই কুকুৰাজনীৰ দফা ৰফা কৰিব। তাৰ পাছত অখিলাক মই কিহেৰে খুৱাম-বুৱাম? মই তেওঁৰ কথাৰ একো উত্তৰ দিব নোৱাৰি চুপচাপ তোমাৰ ওচৰলৈকে ঘূৰি আহিলোঁ।"



যাদুকৰী বুঢ়ীয়ে কিছু দেৰি চিন্তা কৰি চালে, আৰু জুপুৰিৰ চালৰ ওপৰত থকা পাচিখন আনি সুৰথৰ হাতত দি ক'লে, "এই পাচিক কোৱা মাত্ৰেই তোমাক যি পাচলি যিমান যিমান লাগে—তৎক্ষণাৎ আনি দিব। এইদৰে—বিনা পুঁজিৰে পাচলিৰ কাৰবাৰ কৰি সুখৰে সংসাৰ চলাব পাৰিবা বুলি অখিলাৰ অগিয়ান দেউতাৰক কোৱাগৈ যোৱা।"

গ'ল সুৰথ পাচিখন তালৈ লৈ, আৰু পাছদিনা পুনৰ আহিল কেঁচাহেন হৈ।

"তোমাক কেঁচামুৱা যেন লাগিছে কিয়? তোমাৰ হ'ব লগা শহুৰ দেউতাৰে এতিয়া কি ক'লে তোমাৰ?" যাদুকৰী বুঢ়ীয়ে সুৰথক সুধিলে।

"তেওঁ এই যাদু-পাচিৰ কথাখিনিও ঠিক মতে নুশুনিলে। কেৱল ইমানকে ক'লে যে—এতিয়াই দেখোন পাচিখন পুৰি ছাই কৰিব পাৰোঁ। তেতিয়া তুমি বেটা ৰবাই আলুকচু পাবা ক'ৰপৰা? তেতিয়া অখিলাৰ কথা বাদেই—তুমিনো কি খাবা? ছাইহে খাই থাকিবানে? —এতিয়ানো মই কি কৰোঁ, পেহী!" সুৰথে কন্দনামুৱা হৈ ক'লে।

তেতিয়া যাদুকৰী বুঢ়ীয়ে তাইৰ জুপুৰিৰ এচুকত পৰি থকা আওপুৰণি সৰু চন্দুকটো উলিয়াই আনি ক'লে, "বোপা, এই চন্দুকৰ কেৰামতালিৰ অন্ত নাই। এইটো লৈ যোৱা, আৰু তেতিয়া তোমাৰ অখিলাৰ দেউতাৰাই তোমাক ছোৱালী



যাচি তোমাৰ পিছে পিছে ফুৰিব। এই চন্দুকটোৰ ওপৰত হাত থৈ যি খুজিবা, লগে লগে পাবা। কিন্তু—সেই বুলি অখিলাজনীক নুখুজিবা। কেৱল প্ৰাণহীন বস্তুকে খুজিলেই পাবা।"

সৰু হ'লেও চন্দুক—চন্দুকেই। গধুৰ চন্দুকটো মূৰৰ ওপৰত উঠাই লৈ সুৰথে খোজ ল'লে।

কিন্তু—পাছদিনা—আগৰ আগৰ বাৰৰ দৰেই সুৰথ পুনৰ যাদুকৰীৰ ওচৰলৈ আহিল, আৰু চন্দুকটোও কঢ়িয়াই লৈয়েই আহিল।

যাদুকৰী বুঢ়ীয়ে এইবাৰ কিছু টান মাতেৰে সুধিলে, "সুৰথ, এইবাৰো অখিলাৰ দেউতাৰাই তোমাক ঘূৰাই দিলেনে? কি ক'লে সেই মূৰুখ মানুহজনে?"

"তেওঁ চন্দুকটোৰ মহিমা চালে। তাৰ পাছত মোৰ পিনে সন্দেহৰ চকুৰে চাই সুধিলে যে মই ক'ৰপৰা এই যাদু-চন্দুক পালোঁ। মই একো উত্তৰ নৌ দিওঁতেই তেওঁ কৈ উঠিল, 'সেই লালটিলাৰ খেতৰ-সাইজ বুঢ়ী ইয়াৰ আঁৰত আছে যেন পাওঁ। সেই বুঢ়ীৰ সহায় পাইছ যদি, কেলেইনো মোৰ কাষলৈ আহিছ অখিলাক বিচাৰি? যা যা—সেই বুঢ়ীৰ তোলনীয়াজনীকে বিয়া কৰাগৈ যা'।" এই বুলি কৈ সুৰথ ৰ'ল।

যাদুকৰীয়ে সুৰথক ক'লে, "অখিলাৰ দেউতাৰাৰ কথাত মই কিন্তু বেয়া একো দেখা নাই। যেই কি নহওক—তুমি যদি কমলাক বিয়া কৰোৱা, মোৰো আপত্তি নহ'ব লাগে দেখোন!"

"কিন্তু ··কিন্তু কমলা···!" সুৰথে থতমত খাই ৰৈ দিলে।

"কমলাৰ কথা মোৰ ওপৰত এৰি দিয়া। মই যি ক'ম তাকে হ'ব।" যাদুকৰীয়ে ক'লে।

দুটা দিনৰ পাছত সুৰথে কমলাক মন্দিৰত ধুমধামেৰেই বিয়া কৰিলে।

পাছত—সুৰথে যেতিয়া তাৰ ঘৈণীয়েক কমলাক লগত লৈ নিজ গাঁৱলৈ বুলি ওলাল, তেতিয়া যাদুকৰী বুঢ়ীয়ে সুধিলে, "সুৰথ, তুমি সেই যাদু-বস্তু তিনিটা লৈ নাযাবানে লগত ?"

"সেইবিলাকৰ আৰু একো আৱশ্যক নহ'ব। চাকৰি কৰি যি পাম যিখিনি পাম—তাৰেই হৈ যাব আমাৰ। যাদুৰ ওপৰত নিৰ্ভৰ কৰি জীৱন যাপিব নোৱাৰি।" সুৰথে ক'লে।

"চা—ব্বাছ! লাখ কথাৰ এক কথা ক'লা তুমি—সুৰথ।" বুঢ়ী যাদুকৰীয়ে জোঁৱাৰেকৰ কথাৰ শলাগ ল'লে।

তাৰ পাছত সুৰথ-কমলা লালটিলা এৰি গুচি গ'ল। বাটত ভোক লগাত উলিয়াই খাবলৈ টোপোলাটো খোলাৰ বুঢ়ীয়ে টোপোলাত বান্ধি দিয়া খোৱাবস্তু লগে লগেই এখন চিঠি ওলাই পৰিল :

'সুৰথ, তুমি মোতোকৈ ঢেৰ বুদ্ধিমান বুলি নিজক নিজে নাভাবিবা। তুমি যে কমলাজনীৰ কাৰণেই লালটিলালৈ আহিছিলা, আৰু—অখিলা যে তোমাৰ কল্পনাৰ প্ৰেমিকা মাথোন—সেইটি কথা বুজাত মোৰ মুঠেই পলম হোৱা নাছিল। যি কি নহওক—তুমিও বাৰেৰে আৰু মেয়ো তেৰেৰে হোৱাত মই যাদু-বস্তুৰে তোমাক পৰীক্ষাহে কৰি চাইছিলোঁ। কিন্তু সেই লোভৰ পৰীক্ষাত তুমি নিৰ্লোভ হিচাপে সন্মানৰে উত্তীৰ্ণ হৈছা। তোমাক যে ধন-সোণ নালাগে, লাগে কেৱল কমলাজনীক, এইটি কথা সাৰো-সাৰ বুজি পাই, তোমাৰ যোগ্য হাতত কমলাক পৰম নিঃচিন্ত হৈ অৰ্পিলোঁ।

তোমালোক সুখী হোৱা। এই কামনাৰে এইখিনিতে ৰ'লোঁ।'

সুৰথে হাঁহি হাঁহি ক'লে, "বুঢ়ী যাদুকৰীয়ে—এইবাৰহে আমাক আচল যাদুৰে বান্ধিলে!"

মহাত্মাৰ কথা

বল্লভ আছিল ঘোচখোৰ মানুহ। এবাৰ সি ঘোচ লওঁতে হাতে-লুটে ধৰা পৰিল আৰু দেশৰ ৰজাই তাক সশ্ৰম কাৰাদণ্ড বিহি বেমাৰীইঁতৰ সেৱা কৰাৰ বাবে সেৱাসদনলৈ পঠালে।

এবাৰ সেই সেৱাসদনলৈ ধীমান নামৰ এগৰাকী মহাত্মা আহিল আৰু তেওঁ সেৱাসদনৰ প্ৰতিজন বেমাৰীক নাম কাঢ়ি মাতি কুশল-প্ৰশ্ন কৰিলে। মহাত্মা ধীমানে সেৱাসদনৰ বেমাৰীইঁতৰ যথেষ্ট সেৱাও কৰিলে।

ধীমান মহাত্মাই বেমাৰীইঁতৰ আলপৈচান ধৰাত অবাক মানি বল্লভে সুধিলে, "প্ৰভু, আপুনি এগৰাকী মহাত্মা হৈও কিয়নো এনেবোৰ লেতেৰা বেমাৰীইঁতৰ আলপৈচান ধৰিছে? এই কামত আপোনাৰ লাজ লগা নাইনে?"

"মানৱসেৱাত লাজ? গৰ্বহে হ'ব লাগে, বোপা!" মহাত্মা ধীমানে ক'লে।

তেতিয়া বল্লভে নিজৰ অপৰাধ আৰু দণ্ডৰ কাহিনী শুনাই ক'লে, "এই কাম কৰিবলগা হোৱাত ইমান দিন ধৰি মই লাজ পাই আহিছিলোঁ। আপোনাৰ কথাই মোৰ চকু মুকলি কৰিলে। এতিয়াৰপৰা ময়ো গৰ্ব কৰিম।"

বল্লভৰ কথা শুনি মহাত্মাই বল্লভক কঠোৰ কণ্ঠেৰে ক'লে, "কোনো কামেই আধকৰাকৈ এৰিব নাপায়। লাজ কৰিছিলা—লাজ কৰি থাকা, এয়ে সঠিক আচৰণ।" এই বুলি কৈ মহাত্মা গুচি গ'ল।

ধীমান মহাত্মা সেৱাসদনলৈ আহিছিল মানৱসেৱা কৰিবলৈ আৰু বল্লভ আহিছিল একেই কাম কৰাৰ বাবে দণ্ডপ্ৰাপ্ত হৈ। যিকোনো কামৰ ভাল-বেয়া সেই কামৰ শ্ৰেষ্ঠত্বৰ কাৰণে নহয়, সেই কামৰ উদ্দেশ্যতে নিৰ্ভৰশীল। মহাত্মাৰ কথাত বল্লভৰ চকু মুকলি হ'ল, আৰু বল্লভে তেতিয়াৰপৰা সদ্‌গুণ আয়ত্ত কৰিবলৈ চেষ্টা কৰি থাকিল।

—বিন্দুদীপা



অপূৰ্ব-কাহিনী

১০

[আগৰ কথা : অপূৰ্বৰ আদেশমতে সমীৰে জলদস্যুইতক শিলাদ্বীপৰ গুহাত শোচনীয় মৃত্যুৰপৰা ৰক্ষা কৰিলে দেশৰ ৰজাক কৈ-মেলি। সমীৰৰ সকাতৰ অনুৰোধত ৰজাই সেই জলদস্যুবিলাকক শিলাদ্বীপৰপৰা লৈ আহিবলৈ তেওঁৰ চিপাহছালাৰক সসৈন্যে শিলাদ্বীপলৈ পঠাইছিল। চিপাহছালাৰে সমীৰৰ সহায়ত সিইতক ধৰি লৈ আহিল। তাৰ পাছত••]

এই দুৰ্দান্ত লুটিয়াৰবিলাকক ফাটকত আটক কৰি থোৱাৰ ফলত ৰাজ্যত চুৰি-ডকাইতি লুট-পাত প্ৰায় নোহোৱা হৈ আহিছিল। ৰাইজৰ মাজত এই কথা প্ৰচাৰ হৈ পৰিছিল যে কোনোবা দিব্যপুৰুষে শিষ্টৰ পালন আৰু দুষ্টৰ দমন কৰি আছে।

ধৰ্মপ্ৰিয় ৰজাই সমীৰক তেওঁৰ উপদেষ্টাৰূপে নিযুক্ত কৰিলে। এইদৰে, কিছুদিনৰ বাবে সমগ্ৰ ৰাজ্যত শান্তি পূৰ্ণতাৰ বায়ু প্ৰবাহিত হৈ থাকিল।

সমীৰক অপূৰ্বই কৈ গৈছিল যে সমীৰে যেতিয়াই অপূৰ্বক সুঁৱৰিব, তাৰ সমুখত দেখা পাব।

অপূৰ্ব লোকালয়ৰপৰা পুনৰ হিমালয়লৈ আহিল। ইয়াত মুনি সদানন্দই একমনে জপ-তপ কৰি আছিল।

হিমালয়ত মুনি সদানন্দই অপূৰ্বক ক'লে, "মুনিসকলে কঠোৰ জপ-তপ কৰি যি বিশেষ শক্তি আয়ত্ত কৰিছিল। সেই শক্তি আয়ত্ত কৰাৰ বাবে কোনো জপ-তপ কৰাৰ আৱশ্যকতা তোমাৰ নাই, সেই শক্তি তোমাৰ মাজত সঞ্চাৰিত। মানৱজাতিৰ মংগলৰ অৰ্থে সেই শক্তিক ব্যৱহাৰ কৰাটো তোমাৰ দায়িত্ব।"

"পিতা! মই কি সেই দায়িত্ব পালন কৰি থকা নাই?"

অপূৰ্বৰ প্ৰশ্নৰ উত্তৰত মুনিয়ে মৃদুকৈ হাঁহি মাৰি ক'লে, "নিশ্চয় পালন কৰিছা, বোপা! তোমাৰ কাৰ্য্যাৱলী চাই মই আনন্দিত আৰু গৌৰৱান্বিত। কিন্তু—"।

ক্ষন্তেকমান ৰৈ মুনিয়ে পুনৰ ক'লে, "কিন্তু মানৱৰ স্বভাৱ অতি ক্লিষ্ট। শান্তিৰে জীৱনযাপন কৰাটো সাধাৰণভাৱে মানুহৰ স্বভাৱৰ বাহিৰ, কিছুমানে সদা-সৰ্বক্ষণেই সমস্যাত সাঙোৰ খাই থাকিবলৈ বিচাৰে।"

"পিতা! ক'ৰবাত তেনেকুৱা কিবা—"

"হয়, পুত্ৰ! সমাজৰ কিছুমান মানুহ আনকি চোৰ-ডকাইত-লুণ্ঠয়াৰতকৈও হীন। কিন্তু এই হীন মানুহবোৰৰ কিছুমানেই হ'ল সমাজৰ চূড়ামণি। ইহঁত হ'ল ছদ্মবেশী চয়তান—যিহঁত প্ৰকৃতপক্ষে চোৰ-ডকাইততকৈও হীন। কিন্তু বল বোলা, বুদ্ধি বোলা, বা বিদ্যা—এই দুষ্টহঁতৰে অংগৰ ভূষণ।" মুনি সদানন্দই সখেদে অপূৰ্বক ক'লে।

"পিতা! কোনোবাই ক'ৰবাত কিবা দুষ্কৰ্ম কৰি উপদ্ৰৱ সৃষ্টি কৰিছেনে কি?"

"তুমি নিজেই সেই কথাৰ ভু ল'ব পাৰিবা। এবাৰ মানৱজাতিৰ ভৱিষ্যৎ প্ৰত্যক্ষ কৰাৰ মনেৰে মই ধ্যানাৱস্থাত এক অদ্ভুত দৃশ্য প্ৰত্যক্ষ কৰিছিলোঁ। সমাজৰ দুজন ডাঙৰ মানুহে এক অপৱিত্ৰ কাৰ্য্য কৰাৰ বাবে গুপ্তমন্ত্ৰণা কৰি আছিল। সেই দুজনৰ মাজত এজন আছিল ৰুদ্ৰপুৰীৰ মহামন্ত্ৰী। তুমি সেই মহামন্ত্ৰীৰ গৃহলৈ



তুৰন্তে যোৱা আৰু তাত কি হৈছে-নহৈছে তাৰ খবৰ লোৱা আৰু পাছত যথাকৰ্তব্য কৰা।" মুনিয়ে যথোচিত আশীৰ্বাদৰ অন্তে অপূৰ্বক বিদায় দিলে।

*

সন্ধ্যা সমাগত হ'ল, রুদ্ৰপুৰীৰ দ'ল-দেৱালয়ত কাঁহ-ঘণ্টাৰ আৰু শংখধ্বনিৰে৷ শব্দ উঠিল। ৰাজপ্ৰাসাদ আৰু মহামন্ত্ৰীৰ বাসভৱনৰ মাজত আছিল এজোপা বিৰাট বৰগছ। অপূৰ্বই এই বৰগছজোপাৰ প্ৰকাণ্ড শাখা এটাৰ ওপৰত বহি আছিল প্ৰধানমন্ত্ৰীৰ বাসভৱনলৈ যোৱাৰ মনেৰে।

ৰাজপ্ৰাসাদৰ সমুখত কিছুমান মানুহে আনন্দত জঁপিয়াজপি কৰি আছিল। সিহঁতে ডিঙি ভাঙি ভাঙি ইফালে-সিফালে চাই আছিল। বিপৰীত ফালৰ-পৰা বাটৰুৱা এজনে ৰাজপ্ৰহৰী এজনক সুধিলে, "ইয়াত কি হৈছেনো? ইমান লৰা-ধপৰানো কিহলৈ?"

"আমাৰ ৰাজকুঁৱৰী কৃষ্ণকুমাৰী আজিয়েই লাৱণ্যপুৰীৰপৰা ৰাজধানীলৈ আহিব ধৰিছে। তেওঁ তেওঁৰ মোমায়েৰ লাৱণ্যপুৰীৰ মহাৰাজৰ ওচৰলৈ গৈ ছমাহমান থকাৰ অন্তত আজিয়েই ঘূৰি আহিছে। তাৰ কাৰণেই—ৰাজকুঁৱৰীক চাবলৈহে এই হৈ-চৈ।" প্ৰহৰীয়ে ক'লে।

চাওঁতে চাওঁতে হাতীৰ পিঠিত স্বৰ্ণ-ছত্ৰৰ ছাঁত ৰাজকুঁৱৰীক আহি থকা দেখা গ'ল, তেওঁৰ কাষতে বহি থকা তেওঁৰ চাৰিজনী সখিয়েককো দেখা গ'ল।

ৰাজকুঁৱৰী হাতীৰ পিঠিৰপৰা নামি আহিল। তিমানতে ৰজা বিশ্বৰ্মা তালৈ আহি পাইছিলেই। তেওঁ মৃদুকৈ হাঁহি মাৰি মাতৃহীনা সন্তানক আদৰি ল'লে।

ৰাজকুঁৱৰী কৃষ্ণকুমাৰী আছিল রুদ্ৰপুৰী আৰু লাৱণ্যপুৰীৰো একমাত্ৰ ওৱাৰিছ বা উত্তৰাধিকাৰী। তেওঁ তেওঁৰ মোমায়েক লাৱণ্যপুৰীৰ ৰজা জয়বৰ্মাদেবক পিতৃসম জ্ঞান কৰিছিল আৰু তেওঁৰ ৰাজ্যলৈ গৈ

নিজৰ ৰাজ্যতে থকা যেন পাইছিল।

ৰাজকুঁৱৰীৰ ডিঙিত আছিল মণি-মুকুতাৰে এধাৰি বহুমূল্য মালা আৰু সেই মালাতে আছিল এক আচৰিতবিধৰ মণি। মহাৰাজ বিশ্বৰ্মাই অবাক মানি জীয়েকক সুধিলে, "আই, এইটো কি?"

"মই লাৱণ্যপুৰীৰ সম্পদ লৈ আহিছোঁ, দেউতা!" ৰাজকুঁৱৰীয়ে ক'লে।

ৰাজকুঁৱৰীৰ কণ্ঠহাৰৰ আচৰিত ধৰণৰ মণি হাতেৰে স্পৰ্শ কৰি মহাৰাজে ক'লে, "চন্দ্ৰকান্ত মণি যেন পাইছোঁ—"

"ওঁ, দেউতা, এইয়া চন্দ্ৰকান্ত মণি, আপুনি সঠিককৈয়েই চিনিব পাৰিছে। ইমান কাল ধৰি এই চন্দ্ৰকান্ত মণি লাৱণ্যপুৰীৰ ধন-ভঁৰালতে পৰি আছিল। আমাৰ দুয়োখন ৰাজ্যৰ সুৰক্ষা এতিয়া সুদৃঢ়। গতিকে—এই মণি পিন্ধাত মোৰ চিন্তা কিহলৈ? এই কণ্ঠহাৰ আপুনি ভাল পাইছেনে, দেউতা?" কুঁৱৰীয়ে সুধিলে।

"আই, তোমাৰ মোমায়েৰা মহান মানৱ।" মহাৰাজে ৰাজকুঁৱৰীক ক'লে।

*

"তুমি যি ধন সপোনতো দেখা পোৱাৰ কথা সপোনতো দেখা পোৱা নাই, যি ধনৰ কথা তোমাৰ কল্পনায়ো ঢুকি নাপায়, সেই আপুকগ ধন তোমাৰ দুৱাৰত আপোনা-আপুনিয়েই উপস্থিত হৈছেহি। এতিয়া—মাত্ৰ ধৰি আনি পুৰি খালেই হ'ল।" যাদুকৰ তান্ত্ৰিকে হাঁহি হাঁহি মহামন্ত্ৰীক ক'লে।

মহামন্ত্ৰীয়ে তান্ত্ৰিক-যাদুকৰৰ কথা কেৱল শুনিয়েই থাকিল, মুখেৰে ভাল-বেয়া একো এটাও নক'লে।

"ভাগ্যদেৱী স্বয়ং তোমাৰ ওচৰলৈ ঢপলিয়াই আহিছে, বুলিহে নিশ্চয় ভাবিছা, কিন্তু সেই কথা মুঠেই সঁচা নহয়। মই মন্ত্ৰ-শক্তিৰে লাৱণ্যপুৰীৰ ৰজাৰ মনত এই পৰিৱৰ্তন কৰিছিলোঁ। ৰাজকুঁৱৰী কৃষ্ণকুমাৰীক সেই অমূল্য চন্দ্ৰকান্তমণি

প্ৰদান কৰিবলৈ ময়েই মন্ত্ৰবলত লাৱণ্য-পুৰীৰ ৰজাৰ মনত সদিচ্ছা জাগ্ৰত কৰিছিলোঁ।” যাতুকৰ-তান্ত্ৰিকে অহংকাৰেৰে ক'লে, আৰু নিজৰ দাড়িকোচাত নিজেই হাত ফুৰাবলৈ তথা মোচত তাও দিবলৈ ধৰিলে।

“হে মহাত্মা! মই তোমাৰ শক্তিৰ কথা জ্ঞাত নোহোৱা নহয়।” মহামন্ত্ৰীয়ে নিৰ্লিপ্তভাবে ক'লে।

ই যাতুকৰনো কেনেকৈ মহাত্মা হ'ল? ই দেখোন মহা বদমাছ আৰু নীচ! গছৰ ডালত লুকাই থকা অপূৰ্বই এই যাতুকৰৰ কথা শুনি ভাবিলে।

যাতুকৰ-তান্ত্ৰিকে কৈ থাকিল, “জয়বৰ্মাই, বা বিশ্ববৰ্মায়ো এই চন্দ্ৰকান্ত-মণিৰ মোল বুজা নাই যে—এয়া আমাৰ সৌভাগ্য। এওঁলোকে কেৱল ইমানকে জানে যে এই মণি—চন্দ্ৰকান্তমণি হ'ল এক মূল্যৱান মণি মাথোন। কিন্তু চন্দ্ৰকান্তমণিৰ অত্যদ্ভুত শক্তিৰ কোনো খা-খবৰ এওঁলোকে নাপায় যেনেই বোধ হৈছে।” এই কথা কৈ—হো হোৱাই হাঁহি উঠিও মুহূৰ্ততে নিজক চম্ভালি লৈ ৰৈ দিলে যাতুকৰ-তান্ত্ৰিকে।

প্ৰায় এঘণ্টামান তুয়ো গুপ্ত বাৰ্তালাপ কৰিলে। এই বাৰ্তালাপ শুনি অপূৰ্বই মহামন্ত্ৰী আৰু যাতুকৰৰ বিষয়ে বহুতো কিবাকিবি জানি গ'ল আৰু এই ঠাইৰ পৰিস্থিতি সম্পৰ্কেও সম্যক অৱগত হ'ল।

মহামন্ত্ৰী আৰু এই তান্ত্ৰিক-যাতুকৰ আছিল সৰুৰেপৰাই নলে গলে লগা বন্ধু। তুয়ো একেইজন গুৰুৰপৰা বিদ্যা আহৰণ কৰিছিল। এই তুজনৰ গুৰুৰ গুৰুৱেহে লাৱণ্যপুৰীৰ ৰজাক অত্যদ্ভুত শক্তিসম্পন্ন চন্দ্ৰকান্তমণি দিছিল। তেতিয়া লাৱণ্য-পুৰীৰ ৰজা আছিল আজিৰ লাবণ্যপুৰীৰ ৰজা জয়বৰ্মদেৱৰ ককায়েক। তেতিয়াৰে-পৰাই এই চন্দ্ৰকান্তমণি ৰাজকীয় ধন-ভঁৰালত পৰি আছিল।



তান্ত্রিক-যাদুকৰ এই বীৰবিকটে যেতিয়া সুপ্ৰাচীন সাঁচিপতীয়া পুঁথিৰ পঢ়ি পৰীক্ষা-নিৰীক্ষা কৰি আছিল, তেতিয়া সেই সাঁচিপতীয়া পুঁথিৰপৰা বীৰবিকটে এই চন্দ্ৰকান্তমণিৰ তথা এই মণিৰ অত্যদ্ভুত ক্ষমতাৰো সন্ধান উলিয়াব পাৰিছিল। এই অদ্ভুত-আশ্চৰ্য্যময় চন্দ্ৰকান্তমণি পিন্ধি কিছুমান বিশেষ বিশেষ পূজা কৰিব পৰাই জগতৰ ৰজাৰো ৰজা অৰ্থাৎ জগজ্জয়ী সম্ৰাট হোৱাৰ যোগ তথা যোগ্যতা লভিব।

সাঁচিপতীয়া পুথিত এই কথা পঢ়াৰে-পৰাই এই তান্ত্রিক বীৰবিকটৰ গাত বিহু বিহু লাগি গৈছিল। চন্দ্ৰকান্তমণি কেনেবাকৈ সৰকাব পাৰিলে কেনেকৈ কি কৰিব—তাৰ টিকা-সঁকাকৰি টিকাত চপৰিয়াবলৈ ধৰিলে। তান্ত্রিক-যাদুকৰ বীৰবিকটে কেনেকৈ কি কৰিব তাৰ আঁচনি নানান ধৰণে পাঙিবলৈ ধৰিলে।

তাৰ পাছত তান্ত্রিক-যাদুকৰ বীৰবিকটে নানান কথা চিন্তি লাৱণ্যপুৰীলৈ বুলি খোজ লৈছিল। বাটত ইকথা-সিকথা—নানান কথা ভাবি ভাবি তাৰ মূৰেদি ধনঞ্জয় বায়ু ওলোৱা যেন হ'ল।

সেইহে—সি লাৱণ্যপুৰীৰ ৰজা জয়বৰ্মাদেৱক ক'লে গৈ যে—ৰাজকুঁৱৰী কৃষ্ণকুমাৰীৰ ওপৰত দুষ্ট গ্ৰহই—দুৰন্তভাবে প্ৰভাৱ বিস্তাৰ কৰিছে আৰু ৰাজকুঁৱৰী কৃষ্ণকুমাৰীক সেই দুষ্ট প্ৰভাৱৰ কবলৰপৰা ৰক্ষা কৰিবলৈ তেওঁৰ ডিঙিত থক চন্দ্ৰকান্তমণি সদা-সৰ্বক্ষণৰ বাবে ডিঙিতেই পিন্ধি থকা আৱশ্যক হৈছে।

ভাগিনীয়েকৰ ওপৰত পুত্ৰীৰ দৰে মৰম থকা ৰজা জয়বৰ্মাদেৱে তেতিয়া চন্দ্ৰকান্তমণিৰে সৈতে অন্যান্য মণি লগ লগাই ৰাজকুঁৱৰীৰ বাবে কণ্ঠহাৰ গঢ়াইছিল আৰু ৰাজকুঁৱৰীলৈ উপহাৰ-স্বৰূপে দিছিল। কিন্তু দুষ্ট গ্ৰহৰ অশুভ প্ৰভাৱৰ সম্পৰ্কে ভাগিনীয়েকক একো



নোকোৰাত এই বিষয়ে ৰাজকুঁৱৰীয়ে একোৱেই নাজানিছিল।

তান্ত্ৰিক-যাদুকৰ এই বীৰবিকটে মহামন্ত্ৰীক ৰজা জয়বৰ্মাৰ মন তাৰ মন্ত্ৰ-বলেৰে কাবু কৰি ৰাজকুঁৱৰী কৃষ্ণকুমাৰীক চন্দ্ৰকান্তমণি দিয়াইছিল বুলি যি কথা কৈছিল, সেই কথা আছিল গোকাট মিছা কথা। কিন্তু—মহামন্ত্ৰী বিকটৰ কথাত ভোল গ'ল আৰু চন্দ্ৰকান্তমণি পিন্ধি নানান ধৰণৰ পূজা-টুজা কৰি স্বয়ং মহাপ্ৰতাপান্বিত সম্ৰাট হোৱাৰ সপোন দেখি থাকিল। ইপিনে — তান্ত্ৰিক-যাদুকৰ বিকটৰ মনতো যে সম্ৰাট হোৱাৰ ইচ্ছাই বাহ লৈছিল, আৰু চন্দ্ৰকান্তমণি যেনেতেনে সৰকাই বিকটে নিজেই পিন্ধিৰ বুলি খাটাং কৰিছিল। মহামন্ত্ৰীয়ে বীৰবিকটৰ মনৰ সেই গুপুত কথাৰ ভু একেবাৰেই নাপাইছিল। দুয়োজনেই বেলেগ বেলেগভাবে চন্দ্ৰকান্তমণিৰ সহায়ত যে সম্ৰাট হ'বলৈ হাবিলাস কৰিছিল, সেই কথা কাকপক্ষীয়েও নাজানে বুলি ভাবি দুয়োজনেই হৈ আছিল পৰম নিঃচিন্ত।

অপূৰ্বই যিকোনো মানুহৰ মনৰ কথা-চকুলৈ চায়েই কৈ দিব পাৰিছিল। মহামন্ত্ৰী আছিল আচলতে এক মহামূৰ্খ আৰু তান্ত্ৰিক-যাদুকৰ বীৰবিকট আছিল ঘোৰ আত্মস্বাৰ্থী তথা অতি বদমাছ। নিজৰ স্বাৰ্থক যেনেতেনে পূৰাবৰ বাবে যিকোনো জঘন্য অন্যায় কামো সি বিকটে হেলাৰঙেই কৰিব পাৰিছিল যে অপূৰ্বই ফটফটীয়াকৈ বুজি পাইছিল।

অপূৰ্বই ভাবিলে: এনেহেন ঘোৰ বদমাছ-চয়তান এটা যদি কিবা প্ৰকাৰে সম্ৰাট ৰূপে অধিষ্ঠিত হয়—তেতিয়া দেশবাসীৰ কি দশা হ'ব? দেশবাসী আওমৰণেহে মৰিব। এই কথা ভাবি ভাবি অপূৰ্ব চিন্তিত হৈ উঠিল। [অহা সংখ্যাত

প্ৰকৃত জ্ঞান

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ গ'ল আৰু গছজোপাৰ ডালত ওলমি থকা মৃতদেহ ডালৰপৰা নমাই আনি কান্ধত পেলাই লৈ শ্মশানমুৱা হ'ল। তেতিয়া শ'ৰ মাজত থকা বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰাজন্, তুমি যদি কোনোবা গুৰুৰ বচন ৰক্ষাৰ্থে, বা গুৰুৰ তুষ্টিৰ অৰ্থে এনে সীমাহীন শ্ৰম কৰিছা, তেনেহ'লে, সম্পূৰ্ণ হতাশপ্ৰাপ্ত হোৱাৰ আগতে বিশ্বমিত মুনিৰ তথা তেওঁৰ শিষ্যদ্বয়ৰ বিৱৰণ শুনি লোৱা। এই কাহিনী শুনি শুনি শ্মশানভূমিলৈ গৈ থাকিলে আন উপকাৰ নহ'লেও তোমাৰ পথশ্ৰম নিশ্চয় কথঞ্চিত লাঘৱ হ'ব আৰু লগতে কিছু ৱাস্তৱোচিত জ্ঞানলাভো হ'ব।" এই বুলি কৈ বেতালে বিশ্বমিত মুনিৰ কাহিনী বিক্ৰমক ক'বলৈ ধৰিলে :

'বেতাল-কথা'



সুন্দৰদেশৰ মহাৰণ্যত বিশ্বমিত মুনিৰ আশ্ৰম আছিল। বিশ্বমিত মুনিৰ টোলত অসংখ্য ছাত্ৰে অধ্যয়ন কৰিছিল। অন্যান্য বিষয়ৰ মাজত তপস্যাৰ বিধি আৰু মোক্ষ-সাধনাৰ শিক্ষা আছিল অন্যতম।

গুৰু বিশ্বমিতৰ দুজন প্ৰিয় শিষ্য আছিল। এজনৰ নাম লোকপ্ৰিয়, আনজন শক্তিকিৰণ। বিশ্বমিত মুনিৰ এই শিষ্য দুজনৰ মাজত বিভিন্ন প্ৰকাৰৰ আচৰিত ধৰণৰ শক্তি আছিল।

এদিন গুৰু বিশ্বমিতে উভয় শিষ্যক ক'লে, "তোমালোক হ'লা মোৰ শ্ৰেষ্ঠ শিষ্য। এতিয়া মোৰ ওচৰত শিক্ষা ল'ব-লগীয়া তোমালোকৰ আৰু একো নাই। গতিকে—তোমালোকে নিজ নিজ গৃহলৈ উভতি গৈ সংসাৰিক দায়িত্ব পৰিপূৰ্ণৰূপে পালন কৰাৰ অন্তত বৃদ্ধাৱস্থাত পুনৰ ইয়ালৈ আহি তপস্যা কৰিবা। এই বয়স —মোক্ষ-সাধনাৰ বয়স নহয়।"

দুয়োজনেই গুৰুৰ কথাত 'হয়' কৰিলে আৰু তাৰ পাছত ক'লে, "গুৰুজী, আমাৰ দুয়োৰো মাজত এতিয়া নানান আশ্চৰ্য্য শক্তি আছে। কিন্তু অভিশাপ প্ৰদানৰ শক্তি থাকিলেও — অভিশাপমুক্ত কৰাৰ শক্তি আমাত নাই। সেই কাৰণে, হে গুৰুজী! আপুনি আমাক এই পৰম শক্তি দয়া কৰি প্ৰদান কৰক।"

গুৰু বিশ্বমিতে দুয়োকো আৰু এমাহ আশ্ৰমতে থাকিবলৈ ক'লে।

এপষৰ অন্তত গুৰু বিশ্বমিতে শক্তি-কিৰণক ক'লে, শাপমুক্তিৰ মন্ত্ৰবল আয়ত্ত কৰিবলৈ হ'লে অত্যান্ত কঠোৰ উপাসনা কৰিব লাগিব। এই তপস্যা সকলোটিয়ে কৰিব নোৱাৰে। কিন্তু তুমি পাৰিবা আৰু ময়ো তোমাক শিকাই দিম।"

শুনি শক্তিকিৰণ আনন্দিত হ'ল আৰু সিদিনাৰেপৰাই তপস্যাত ধৰিলে।

গুৰু বিশ্বমিতে লোকপ্ৰিয়ক ক'লে, "পুত্ৰ! তোমাক মই শাপমুক্তিৰ উপায়

প্ৰদৰ্শন কৰিব নোৱাৰিম। সকলো বিদ্যাৰ বাবে যোগ্যতা লাগে। নোৱৰাৰ কাৰণো সেয়ে। তুমি ইয়াত আৰু বৈ নথাকিবা। গৃহলৈ গমন কৰা।" এই বুলি কৈ গুৰু বিশ্বমিতে শিষ্য লোকপ্ৰিয়ক তেওঁৰ আশ্ৰমৰপৰা বিদায় দিলে।

কিছু দিনৰ অন্তত শাপমোচনৰ মন্ত্ৰ আয়ত্ত কৰি শক্তিকিৰণো ঘৰমুৰা হ'ল।

তাৰ পাছত পাঁচ বছৰ পাৰ হ'ল। এদিন সেই ৰাজ্যৰ ৰজা মানসেনে বিশ্বমিত মুনিক মতাই পঠালে। মহাৰাজৰ ৰথত উঠি বিশ্বমিত মুনিয়ে ৰাজধানী পালেহি।

প্ৰকৃততে, ৰজাই **'ৰাজগুৰু'** পদৰ বাবে কোনোবা এগৰাকী যোগ্যৰানক বিচাৰি আছিল। শক্তিকিৰণ আৰু লোকপ্ৰিয়ৰো যোগ্যতাৰ কথা ৰজায়ো জানিছিল। তিমানতে শক্তি কিৰণৰ যশ-খ্যাতি বৈ-বৈ গৈছিল। শক্তিকিৰণৰ শক্তিৰ ভয়ত অন্যায়কাৰীয়ে ভীত হৈ বাধ্যত পৰি সৎপথ লৈছিল। শক্তিকিৰণৰ আছিল শত শত শিষ্য। এই শিষ্যবৰ্গই মিলি 'শক্তি-সেনা' গঠন কৰিছিল। সামান্য অপৰাধ অভিশাপৰ তথা অলৌকিকত্বৰ ভয়ত শক্তিকিৰণৰ কোনো কথাৰ বিৰোধিতা কোনেও নকৰিছিল।

লোকপ্ৰিয়ৰ যশ-খ্যাতি সিমানকৈ বিয়পি পৰা নাছিল আৰু লোকপ্ৰিয়ৰ শিষ্যও আছিল নিচেই তাকৰ। লোকপ্ৰিয়ই



প্ৰধানতঃ লোক-সমাজত তত্ত্বোপদেশ বিতৰণ কৰিছিল সজ-পথ অৱলম্বন কৰাৰ বাবে লোকপ্ৰিয়ৰ মাজত যে বিভিন্ন অলৌকিক ক্ষমতা আছে সেই কথা ৰাইজে সমূলি নাজানিছিল।

মহাৰাজ মানসেনে শক্তিকিৰণকে 'ৰাজগুৰু'ৰ বাব দিবলৈ সিদ্ধান্ত কৰিলে। কিন্তু প্ৰস্তাৱৰ কথা শুনি স্বয়ং শক্তিকিৰণেই মহাৰাজক ক'লে, "মই আৰু লোকপ্ৰিয় সকলো কথাতে একেই সমান। গতিকে— আমাৰ দুয়োৰো মাজত কাক আপুনি ৰাজগুৰুৰ বাব দিয়া উচিত—আমাৰ গুৰুজী বিশ্বমিতেহে স্থিৰ কৰি দিব পাৰিব। গুৰুজীয়ে স্থিৰ কৰি নিদিয়ালৈকে আমাৰ মাজত কোনেও এই পদ গ্ৰহণ কৰিব নোৱাৰোঁ।"

মহাৰাজৰ মুখে এই কথা শুনি গুৰু বিশ্বমিতে মহাৰাজক ক'লে, "নহয়, এই কথা সঠিক নহয়. শক্তিকিৰণ আৰু লোকপ্ৰিয় একেই সমান নহয়। দুজনৰ মাজত লোকপ্ৰিয় হ'ল সৰ্বসমৰ্থ। ৰাজগুৰুৰ পদৰ যোগ্যতা লোকপ্ৰিয়তে আছে, আৰু মোৰো ইচ্ছা সেয়ে।"

মহাৰাজ মানসেনে মুনিবৰ বিশ্বমিতৰ আজ্ঞা অনুসাৰে লোকপ্ৰিয়কে ৰাজগুৰুৰ বাব দিলে।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰাজন্! এই কথা প্ৰথমৰেপৰাই স্পষ্ট যে গুৰু বিশ্বমিত তেওঁৰ এই শিষ্যদ্বয়ৰ ক্ষেত্ৰত পক্ষপাতশূন্য নাছিল। লোকপ্ৰিয়ক তেওঁ শাপমুক্তি নিশিকোৱাকৈ ওভোতাই পাঠাইছিল। কিন্তু শক্তিকিৰণক শাপমুক্তিৰ মন্ত্ৰ শিকাইছিল। এই বাৰ, ৰাজগুৰুৰ-পদৰ বিষয়ত—আকৌ আওপাকে শক্তিকিৰণক অযোগ্য বুলি কৈ লোকপ্ৰিয়কে যোগ্য বুলি ৰজাৰ আগত যহালে। মুনি বিশ্বমিতৰ এই কাৰ্য্য যথেষ্ট নিন্দনীয় নহয়নে? এবাৰ ইপক্ষ এবাৰ সিপক্ষ অৱলম্বন কৰি

তেওঁ অস্থিৰমতিত্বতাৰ তথা ঘোৰতৰ পক্ষপাতিতাৰ পৰিচয় দিয়া নাছিলনে? মোৰ এই প্ৰশ্নৰ সদুত্তৰ সঠিককৈ জানিও যদি নিদিয়া তোৰাৰ মূৰ ফাটি টুকুৰা-টুকুৰ হৈ যাব—এই কথা সাৰোসাৰ জানিবা।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "জগতত এনেকুৱা বহু ব্যক্তিক বিচাৰি পোৱা যাব, যিসকল ব্যক্তি যথেষ্ট যোগ্যৱান হোৱা সত্বেও যশ-খ্যাতিৰ অধিকাৰী নহয়। যশ-খ্যাতিলৈ তেওঁলোকৰ মোহও নাই। অতি সাধাৰণ ব্যক্তিৰ মাজতহে যশৰ আকাংক্ষা পৰিলক্ষিত হয়। এই যুক্তি অনুসাৰে শক্তিকিৰণ আচলতে অতি সাধাৰণ ব্যক্তি। যথেষ্ট সদ্‌গুণ আৰু অলৌকিক ক্ষমতাৰ অধিকাৰী হোৱা সত্বেও লোকপ্ৰিয়ৰ মাজত সেইবোৰৰ কোনো প্ৰতিফলন তথা বাহ্যিক প্ৰকাশ নাছিল। অভিশাপ প্ৰদান, পাছত অভিশাপৰপৰা মুক্তি—এইবোৰ আচলতে অতি হীন কাৰ্য্য। শক্তিকিৰণক এইবোৰ লাগিছিল, কিন্তু বৃহৎ ব্যক্তিত্ব লোকপ্ৰিয়ক নালাগিছিল। প্ৰকৃত জ্ঞানী হ'ল সাগৰৰ দৰে গভীৰ, শান্ত আৰু পবিত্ৰ। এই গুণ লোকপ্ৰিয়ৰ মাজত থকা বাবেহে গুৰু বিশ্বমিতে ৰাজগুৰু হিচাপে লোকপ্ৰিয়ৰ প্ৰতি সমৰ্থন জ্ঞাপন কৰিছিল। গুৰু বিশ্বমিতে কেতিয়াও ইপক্ষ-সিপক্ষ গ্ৰহণ কৰা নাছিল, নিৰপেক্ষভাবেই শিষ্যদ্বয়ৰ ক্ষেত্ৰত ন্যায় তথা অপক্ষপাতমূলক অচৰণ কৰি মহাৰাজক মহৎ ভাবে সহায় কৰিছিল। গতিকে—গুৰু বিশ্বমিতক একোপধ্যেই অস্থিৰমতিত্ব বা পক্ষপাতিত্বৰ অভিযোগৰে অভিযুক্ত কৰিব নোৱাৰি।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

[বসুন্ধৰাৰ কাহিনীৰ আধাৰত]

সামান্য-অসামান্য

গোপুৰ নামৰ গাঁৱত গোবিন নামেৰ এজন হালোৱা আছিল। গোবিনৰ পুতেকৰ নাম আছিল ববিন। ববিন ষোল বছৰীয়া। হ'ল কি হ'ল—সি এগছি কুটাও নিছিঙা ল'ৰা। খেতি-বাতিৰ কামত দেউতাকক ধানমানো সহয়-তহায় নকৰি সি দিনটো টাং গুটি বায়েই কটায়।

এদিন গোবিনে তাৰ পুতেক ববিনক ক'লে, "আৰে ঐ—এইফালে শুন, কেৱল টলো টলৌকৈ ঘূৰি-ফুৰি লাভটোনো কি? বহি বহি খালে ধনৰ পাহাৰখনো সম্পত্তিও খহাত বৰ বেছি পৰ নালাগিব, শেহান্তৰত নাখাই মৰিব লাগিব।"

"তাৰ কাৰণে মই কি কৰিব লাগিব—?" ববিনে খঙতে সুধিলে।

"শুন, আমাৰ গোমধান এতিয়া প্ৰায় চপাবৰ হ'ল। তই সেইখিনি পৰ দিবি, বছ, হৈ যাব। এই কামটো কামও, আকৌ—এইটো কাম ধেমালিও বুলিব পাৰ, পৰিশ্ৰম নাই!" গোবিনে ক'লে।

কিন্তু তাত কেৱল বহি বহি আকাশত চাং পতাৰ বাহিৰে দৰাচলতে কোনো কামেই নাছিল।

কিন্তু কেইদিনমানৰ অন্তত ববিনে তাতো 'কাম' এটা বিচাৰি পালে। তাত যিবোৰ চৰাই আৰু অন্যান্য জন্তু-জানোৱাৰ আছে, সেইবিলাকৰ মাতৰ হুবহু অনুকৰণ কৰাটো তাৰ সৰ্বক্ষণৰ কাম হৈ উঠিল। তাৰ নকলী মাত শুনি আচল জন্তু-জানোৱাৰ—যেনে—গাধ, ঘোঁৰা, কুকুৰ আৰু চৰাইবিলাকেও উত্তৰ দিয়া হ'ল।

গোপুৰৰ চুবুৰীয়া শ্ৰীপুৰ গাঁৱৰ

উদয়কুমাৰ শৰ্মা

জমিদাৰেই আছিল গোপুৰ গাঁৱৰো জমিদাৰ। জমিদাৰৰ আছিল ঘোঁৰাৰ চখ। প্ৰতিবছৰ দশহৰাৰ সময়ত জমিদাৰে তেওঁৰ পুৰণি ঘোঁৰাটো কাৰোবাক দান কৰি নতুন ঘোঁৰা এটা লৈছিল।

এইবাৰো তেওঁ নতুন ঘোঁৰাত উঠি তেওঁৰ জমিদাৰী পৰিদৰ্শনলৈ ওলাল— কিন্তু ঘোঁৰাটো পিঠিত উঠিয়েই তেওঁ বিপদত পৰিল। ঘোঁৰাটোৰ কিছুদূৰলৈ জাঁপ মাৰি মাৰি আগুৱাই গৈ তাৰ পাছত কাঁড় যোৱাদি গৈ থকাত জমিদাৰ ডাঙৰীয়াই আনকি তাৰ পিঠিৰ ওপৰত বহি থাকিবলৈকো টান পালে।

হঠাৎ ঘোঁৰাটো বলিয়াহেন হৈ উঠিল। লেকামত জোৰ কৰি টানি ধৰিও জমিদাৰে ঘোঁৰাটোক ৰখাব নোৱাৰিলে। ঘোঁৰাটো বাস্তৱিকতে পগলা-ঘোঁৰা হৈ উঠাৰ কথাটো গমি জমিদাৰে ভয়তে ঘামিবলৈ ধৰিলে। তেওঁ বাৰে বাৰে তাৰ পিঠিৰপৰা নামিবলৈ চেষ্টা কৰিও নামিব নোৱাৰিলে। আৰু ঘোঁৰাটোৱেই যে আজি তেওঁক বগৰাই পেলাই গছকি মাৰিব সেই কথাটো বুজি পাই মৰণৰ ক্ষণ গণিবলৈ ধৰিলে।

হিঁ হিঁ হেঁহনিৰে বলিয়া-ঘোঁৰাটোৱে খেতি-পথাৰবোৰ তহিলং কৰি কৰি যেতিয়া সকলোকে কঁপেই তুলিলে, তেতিয়া বলিয়া ঘোঁৰাটোক্ যেনেতেনে ৰখাবলৈ ৰাইজে প্ৰাণপণ চেষ্টা কৰি থাকিল। কিন্তু ৰাইজ



ব্যৰ্থ হ'ল, ব্যৰ্থ হ'ল জমিদাৰো।

ৰবিন ঘটনাস্থলত তেতিয়া নাছিল। এই ঘটনাৰ কথা শুনি সি তালৈ কুকুৰ দৌৰাদি দৌৰি আহিল, আৰু কোনেও নেদেখাকৈ জোপোহাৰ আঁৰত লুকাই থাকি ঘোঁৰাৰ মাত মাতি থাকিল।

ৰবিনৰ হেঁহনি শুনি বলিয়া ঘোঁৰাটোৱে কাণ থিয় কৰি মুহূৰ্তমানৰ বাবে তভক খাই বৈ দিলে, আৰু সেই ছেগতে আধামৰাহেন হৈ পৰা জমিদাৰেও ঘোঁৰাটোৰ পিঠিৰপৰা মৰ-জাঁপ মাৰি দিলে।

সেই জোপোহাৰ কাষলৈ গৈ ঘোঁৰাটো ৰ'ল, আৰু ৰবিনৰ মাতৰ লগে লগে মাতি থাকিল। অলপ সময়ৰ পাছত ৰবিন জোপোহাৰ আঁৰৰপৰা ওলাই আহিল আৰু বিস্মিত জমিদাৰৰ বিস্ফাৰিত চকুৰ আগত ঘোঁৰাটোৰ পিঠিত হাত ফুৰাবলৈ ধৰিলে। ঘোঁৰাটো তেতিয়া শান্ত হ'ল, আৰু একমনে ঘাঁহ খাবলৈ ধৰিলে।

জমিদাৰ ডাঙৰীয়াই জীৱ ঘূৰাই পায়েই সকলো কথা পাহৰি নগ'ল। তেওঁ তাত গোট খোৱা ৰাইজৰ মাজত বৈ থকা ৰবিনৰ দেউতাক গোবিনক ক'লে, "আজি তোমাৰ ল'ৰাটিয়েই মোক মৃত্যুমুখৰপৰা ৰক্ষা কৰিলে। তোমাৰ এই পুত্ৰ হ'ল মোৰ জীৱনদাতা! মই মোৰ জীৱনদাতাৰ ঋণ কিহেৰে কেনেকৈনো পৰিশোধ কৰিম? এই ঋণ অপৰিশোধ্য। তথাপি—মোৰ কৃতজ্ঞতাৰ চিনস্বৰূপে মই তাক এই ঠাইৰ —এই জোপোহাৰপৰা আৰম্ভ কৰি গাঁৱৰ সৌ সীমালৈকে বিছ হালিচা মাটি নিষ্কৰ ভাবে প্ৰদান কৰিলোঁ।" এই বুলি কৈ, জমিদাৰ ডাঙৰীয়াই ৰবিনক বুকুত আঁকোৱালি ল'লে।

যিকোনো সামান্য বিদ্যাও নিষ্ঠাৰে অভ্যাস কৰিলে যে কিমান অসামান্য হৈ উঠে, এই ঘটনা তাৰ চানেকি হৈ ৰ'ল।

ভাৰতৰ দেব-দেবী :

ভগৱান বুদ্ধ

আজিৰ নেপাল আৰু উত্তৰপ্ৰদেশৰ সীমা-মূৰিয়লিত অৱস্থিত কপিলাবাস্তুত ৰাজকোঁৱৰ গৌতম জন্মগ্ৰহণ কৰিছিল। কিন্তু তেওঁ সুখ-দুঃখ পৰিপূৰ্ণ জীৱন পৰিত্যাগ কৰি নিৰ্বাণ লাভৰ বাবে তপস্যা কৰিছিল আৰু অৱশেষত জীৱন সম্পৰ্কে তেওঁৰ বোধোদয় হৈছিল। এই 'বোধ' প্ৰাপ্ত হোৱা বাবে তেওঁক 'গৌতম বুদ্ধ' বুলি অভিহিত কৰা হৈছিল। জ্ঞানী পুৰুষ গৌতম বুদ্ধ ৫৬৬ খৃষ্ট পূৰ্বাব্দৰপৰা ৪৮৬ খৃষ্টপূৰ্বাব্দলৈকে ৮০ বছৰকাল জীৱিত আছিল।

তেওঁ কৈছিল : মানুহৰ দুঃখৰ মূল কাৰণ হ'ল 'ইচ্ছা'। এই মানসিক 'ইচ্ছা'ক নিয়ন্ত্ৰণ কৰিব পাৰিলে মানুহ হৈ উঠিব জন্ম-মৃত্যুৰো নিয়ন্ত্ৰক আৰু লগতে মানুহে বহু আকাংক্ষিত সুখ-শান্তিৰ উৎসৰ সন্ধানো পাব।

গৌতম বুদ্ধৰ শিক্ষা সৰ্বজনপ্ৰিয় তথা সৰ্বব্যাপী। হিন্দুসকলে ভগৱান বুদ্ধক বিষ্ণুৰ অৱতাৰ ৰূপে গ্ৰহণ কৰিছে। পৃথিৱীৰ এক-তৃতীয়াংশ মানুহ এতিয়া বৌদ্ধ ধৰ্মাৱলম্বী।

প্ৰেমনীয়াৰ চ'ৰাত

ভাৰতৰ সৰ্বকনিষ্ঠ খেলুৱৈটি !

কলিকতাত যোৱা জুলাই মাহত এট আঠ বছৰীয়া ল'ৰাক অভিনন্দন জ্ঞাপন কৰা হৈছিল। এই আঠ বছৰীয়াটি কোননো? এওঁৰ নাম হ'ল সূৰ্য্যশেখৰ গাংগুলি। বিগত জুলাই মাহত পোল্যাণ্ডৰ ওৱাৰশ্বত অনুষ্ঠিত বিশ্ব-জুনিয়ৰ দবা প্ৰতিযোগিতাত সূৰ্য:শখৰে ব্ৰোন্‌জ পদক পোৱা হৈছে। ফ্ৰান্সৰ লেৰ' আঁদ্ৰেই পাইছে সোণৰ পদক ৮'৫ পয়েণ্ট সংগ্ৰহ কৰি, আৰু ৰূপৰ পদক সূৰ্য্যাৰ সমানেই—৮ পয়েণ্ট সংগ্ৰহকাৰী পেকে ভ্যালেকাই তাৰ পৰিচ্ছন্ন খেলাৰ বাবে পাইছে।

এই প্ৰতিযোগিতাৰ দ্বিতীয় দিনত বিশ্ব-চ্যাম্পিয়ান গ্যাৰি কাস্পাৰভ সূৰ্য্যাৰ পিছফালে থিয় হৈ এই শিশু খেলুৱৈটিৱে মাত্ৰ ১৬ চালেৰে তাৰ প্ৰতিপক্ষক জব্দ কৰালৈ চাই আছিল। কাস্পাৰভৰ প্ৰশিক্ষ এড্ ডি গুাফেল্‌ডে পাছত এই ভৱিষ্যদ্বাণী কৰিছিল: 'এই ল'ৰাটিয়ে অহা ১০ বা ১২ বছৰৰ পাছত বিশ্ব-চ্যাম্পিয়ানশ্বিপৰ কাৰণে খেলি থকা আমি দেখা পাম।'

স্কটিশ্ চাৰ্চ্চ কলেজিয়েট স্কুলৰ এই ছাত্ৰটি হ'ল শ্ৰীপংকজ গাংগুলি আৰু আৰতি গাংগুলিৰ সন্তান। এগৰাকী স্বীকৃত হস্তৰেখাবিদ পংকজ গাংগুলিৰ মতে তেওঁৰ এই পুত্ৰটি ছয়টি উপকাৰী গ্ৰহৰ প্ৰভাৱত আছে। সূৰ্য্যাৰ মাতৃৰ ফালৰ প্ৰায়বিলাকেই দবা খেলুৱৈ। মাতামহ অনিল বসুমল্লিকে সূৰ্য্যাক দবা খেলত দীক্ষিত কৰিছিল। তেতিয়া সূৰ্য্যা মাত্ৰ তিনি বছৰীয়া। সূৰ্য্যাই তাৰ ৫ বছৰীয়াতে প্ৰথম স্বীকৃত দবা প্ৰতিযোগিতাত খেলিছিল। জাতীয় স্তৰত এতিয়ালৈকে ৩৭ বাৰ, ৰাজ্যিক স্তৰত ২৭ বাৰ আৰু সৰ্বভাৰতীয় অ'পেন টুৰ্নামেণ্টত ২ বাৰ খেলিছিল। সূৰ্য্যাৰ প্ৰথম আন্তৰ্জাতিক-খেলা সম্প্ৰতে পোল্যাণ্ডৰ ওৱাৰশ্ব'ত অনুষ্ঠিত হ'ল।

৪ ফুট ২ ইঞ্চি ওখ সূৰ্য্যাই ফুটবল আৰু ক্ৰিকেট খেলিবলৈকো ভাল পায়। যিকোনো খেলা-ধূলাৰ ফালৰপৰা সূৰ্য্যা আহিব ভাৰতৰ সৰ্বকনিষ্ঠ খেলুৱৈ। সূৰ্য্যাই গণিত ভাল পায়, কিন্তু বাইব্ল্ (বাইবেল) ক্লাছলৈহে তাৰ ৰাপ। সূৰ্য্যাৰ স্মৃতিশক্তি প্ৰখৰ, অতি দ্ৰুত হিচাপ কৰিব পাৰে. সূৰ্য্যাক 'জীৱন্ত কম্পিউটাৰ' বুলিও কোৱা হয়।

সূৰ্য্যা হ'ল ভাৰতৰ আগৰ জুনিয়ৰ চ্যাম্পিয়ান বিখ্যাত দবা-খেলুৱৈ দিব্যেন্দু বৰুৱা (১৯৭৮) আৰু বিশ্বনাথ আনন্দৰ (১৯৮৭) মূল্যৱান উত্তৰাধিকাৰী।

আমি জানো নে ?

১. কোন দেশত পোন প্ৰথমে চাহ উৎপাদিত হৈছিল ?
২. গাখীৰ আৰু মাখনৰ মাজত গধুৰ কি ?
৩. ইছলামৰ ‘পঞ্চস্তম্ভ’ কি কি ?
৪. কোৰাণত যিশুক কি বুলি বৰ্ণোৱা হৈছে ?
৫. ‘খৃষ্ট’ নামটো কিহৰপৰা আহিছিল ?
৬. যিশু এথন নৈত দীক্ষিত হৈছিল। নৈখনৰ নাম কি ?
৭. ‘বেথ্‌লেহেম’ অৰ অৰ্থ কি ?
৮. মহাকাশলৈ পঠোৱা প্ৰথম ৰুশ্‌ স্পাটিলাইট তথা মহাকাশযানৰ নাম কি ? কোন চনত এই মহাকাশযান মহাকাশলৈ পঠোৱা হৈছিল ?
৯. ক্ৰিকেটত সৰ্বাধিক অ’ভাৰবাউণ্ডাৰি অৰ্থাৎ ছয়-ৰাণ কোনে কৰিছিল ? তেওঁ কাৰ ৰেকৰ্ড ভংগ কৰিছিল ?
১০. কোনখন যুদ্ধত পোনপ্ৰথমে বিষাক্ত গ্যাছ ব্যৱহাৰ কৰা হৈছিল ?
১১. সংগীতৰ সংৰক্ষক বুলি কাক অভিহিত কৰা হয় ?
১২. পোনপ্ৰথমতে চিয়াহীৰে লিখা বস্তু কি আছিল ?
১৩. এছিয়াৰ সৰ্ববৃহৎ মৰুভূমিৰ নাম কি ?
১৪. খৃস্ট’ফাৰ কোলম্বাচ কোনদেশৰ মানুহ আছিল ?
১৫. কোন দেশত সৰ্বপ্ৰথমে কাগজৰ মুদ্ৰা প্ৰচলিত হৈছিল ?

উত্তৰ

১. চীনদেশত।
২. গাখীৰ।
৩. বিশ্বাস, প্ৰাৰ্থনা, ভিক্ষাদান, ৰমজানৰ উপবাস আৰু মক্কালৈ তীৰ্থযাত্ৰা।
৪. ঈশ্বাহ্‌।
৫. গ্ৰিক শব্দ ‘খৃষ্ট’জ’ৰপৰা। এই শব্দৰ অৰ্থ হ’ল ‘তেল লেপন’।
৬. ইজৰায়েলৰ ‘জৰ্ডান’ নৈত।
৭. ঈশ্বৰ-গৃহ বা খাদ্য-গৃহ। বেথলেহেম আছিল যিশুখৃষ্টৰ জন্মস্থান।
৮. স্পুটনিক, ১৯৫৭ চনৰ অকট’বাৰ ৪ তাৰিখে।
৯. ইয়ান বথাম। ১৯৮৫ চনত ৮০টি অ’ভাৰ বাউণ্ডাৰি কৰি ১৯৩৫ চনত আৰ্থাৰ ওৱেলাৰ্ডৰ ৬৬টি অ’ভাৰ-বাউণ্ডাৰিৰ ৰেকৰ্ড ভংগ কৰিছিল।
১০. প্ৰথম বিশ্বযুদ্ধত (১৯১৪—১৯১৮) যপ্ৰেছৰ প্ৰথম যুদ্ধত।
১১. ছেইন্ট ছেছিলিয়া।
১২. কলম।
১৩. আৰব মৰুভূমি।
১৪. ইতালি।
১৫. চীনদেশত।

'সাগৰমাথা'ত বেলুন!

অকট'বাৰ মাহৰ তৃতীয় সপ্তাহত দুটা তপত-বায়ুভৰ্তি বেলুন হিমালয়ৰ এভাৰেস্ট পৰ্বতশিখৰৰ ওপৰলৈ উঠি, আকৌ নিৰাপদে তিব্বতত নামিছিল। নেপালৰপৰা এই বেলুন-যাত্ৰা আৰম্ভ হৈছিল আৰু যাত্ৰাৰ পাছত নমালৈকে এঘন্টা সময় লৈছিল। এটা বেলুনত আছিল এজন অস্ট্ৰেলীয় আৰু এজন ইংৰাজ, অন্য বেলুনটোত দুজনেই ইংৰাজ। এই বেলুন-অভিযান আছিল বৃটিছ-অস্ট্ৰেলিয়াৰ যুগ্ম অভিযান। বেলুন দুটাই ৮৮৪৮ মিটাৰ উচ্চ পৰ্বতচূড়াৰ ৩০০ মিটাৰ ওপৰত নেপালী লোক-সকলে কোৱা 'সাগৰমাথা' চূড়াৰ ওপৰত আছিল। এয়া আছিল এক ঐতিহাসিক ঘটনা!

সম্বাদ-বি-সম্বাদ

ৰাখে হৰি মাৰে কোনে?

প্যাটি শ্ব'ৰ্প আছিল পিছফালৰ ছিটত, আৰু দুই ছিটৰ এই উৰা-জাহাজখন চলাই আছিল প্যাটিৰ ৬২ বছৰীয়া দেউতাকে। একেটি মাত্ৰ এন্‌জিন থকা 'পাইপাৰ কাব্‌' শ্ৰেণীৰ এই উৰাজাহাজখন আমেৰিকাৰ অ'ৰেগন বিমান-কোঁঠৰপৰা প্ৰাকৃতিক সৌন্দৰ্য্য চাবলৈ আৰু ফটো তুলিবলৈ আকাশলৈ উৰিছিল। হঠাৎ প্যাটিৰ দেউতাক পাইলটৰ ছিটতে অচেতন হৈ বাগৰি পৰিল! এয়া আছিল হাৰ্ট অ্যাটাকৰ ঘটনা। এই ভয়াবহ বিপদত ধৈৰ্য্য ৰক্ষা কৰি প্যাটিয়ে ইবুটাম-সিবুটামত টিপা মাৰি উৰা-জাহাজখন কথমপি সৰু এয়াৰষ্ট্ৰিপ এখনত নিৰাপদে নমাই আনিলে। নহয়, ইয়াৰ আগত প্যাটিয়ে কোনো দিনেই উৰাজাহাজ চলোৱা নাছিল!

জয়-পৰাজয়

সোমনাথ শাস্ত্ৰী আছিল এগৰাকী মহান সংগীতজ্ঞ। যিকেনো সভাক বা অনুষ্ঠানত শাস্ত্ৰীজীৰ শাস্ত্ৰীয় সংগীতানুষ্ঠানে শ্ৰোতা ৰাইজক মুগ্ধ কৰিছিল। এদিন দেশৰ ৰজা শ্ৰৱণবৰ্মাদেৱে এই মহান সংগীতজ্ঞ গৰাকীৰ মান ধৰিলে তেওঁৰ দৰবাৰলৈ নিমন্ত্ৰণ কৰি।

সোমনাথ শাস্ত্ৰীয়ে শাস্ত্ৰীয় সংগীত ৰাজ-দৰবাৰত শুনাই সকলোকে মোহিত কৰিলে, আৰু মহাৰাজ শ্ৰৱণবৰ্মাদেৱে নিজৰ বহুমূল্য কণ্ঠহাৰ দিয়াৰ উপৰিও শাস্ত্ৰীজীক ৰাজসভাৰ সংগীতাচাৰ্য্যৰ পদ প্ৰদান কৰি যথাযোগ্য মান ধৰিলে।

কিছু দিনৰ অন্তত, মহাৰাণীয়ে এদিন মহাৰাজক সোমনাথ শাস্ত্ৰীৰ সংগীত শুনোৱাৰ বন্দৰস্ত কৰিবলৈ কোৱাত কেইদিনমানৰ পাছত মহাৰাজে সংগীত-সভাৰ আয়োজন কৰিলে।

সংগীত-সভাৰ আৰম্ভণীতেই মহাৰাণীয়ে শাস্ত্ৰীয় সংগীতৰ প্ৰতি তেওঁৰ বীতস্পৃহা তথা বিৰাগৰ কথা কোৱাত সোমানাথ শাস্ত্ৰীয়ে অপমান পোৱা হ'ল। কিন্তু মহাৰাণীৰ এই কথাৰ কোনো প্ৰত্যুত্তৰো তেওঁ নিদিয়া হ'ল।

মহাৰাণীয়ে মহাৰাজক ক'লে, "অঃ! আপুনি যে ক'ৰপৰা এনেহেন সংগীতবিদ গোটালে—আপুনিহে জানে। আৰু—ৰাজসভাৰ সংগীতাচাৰ্য্যৰ বাবো পট্টকৈ এওঁকে দিলে! এওঁ ক'ৰনো সংগীতজ্ঞ?"

সোমনাথ শাস্ত্ৰীয়ে নম্ৰতাৰেই ক'লে, "মই এই পদ এই মুহূৰ্তৰেপৰাই পৰিত্যাগ কৰি ৰাজ্য এৰি কোনোবা দূৰ দেশলৈ

হৰিনাথ লহকৰ

বিনাপ্ৰশ্নে গুচি যাবলৈ সাজু।”

শুনি মহাৰাজ শ্ৰৱণবৰ্মাই ক'লে, “আপোনাক ৰাজসংগীতজ্ঞৰ পদ এৰিবলৈ কোনেনো কৈছে? মহাৰাণীক তৃপ্তি দিব পৰা গীতমাত আপুনি গাই শুনাব লাগে মাথোন। সংগীতজ্ঞৰ পদ, বা ৰাজ্য এৰি গুচি যাবলৈকো অনুমতিৰ আৱশ্যক আছে—এই কথা নাপাহৰিব।”

সোমনাথ শাস্ত্ৰীয়ে ৰজাক ক'লে, “মহাৰাজ, মহাৰাণীক কেনেধৰণৰ গীত-মাত লাগে জানিব পৰাহেঁতেন—।”

“কোনো ৰাগ-ৰাগিণী নথকা কেৱল আমোদজনক লোকগীতকে শুনাওক, শাস্ত্ৰীজী!” মহাৰাণীয়েই ক'লে।

“মোক সাতদিনৰ সময় দিয়ক, মহাৰাণী! সাতদিনৰ অন্তত আপোনাৰ মনে খোৱা গীত-মাত শুনাম।” শাস্ত্ৰীয়ে ক'লে। মহাৰাণীও এই কথাত সন্মত হ'ল।

ঠিক সাতদিনৰ অন্তত সোমনাথ শাস্ত্ৰীয়ে মহাৰাণীক লোকগীত গাই শুনালে আৰু মহাৰাণীও আনন্দত আপ্লুত হ'ল। মহাৰাণীৰ ৰুচিৰ স্তৰ যে কিমান নিম্ন—শাস্ত্ৰীজীয়ে সেই কথাৰ ভু পালে।

মহাৰাজেও শাস্ত্ৰীজীৰ এই লোক-গীতৰ ভূৰি ভূৰি প্ৰশংসা কৰিলে।

সোমনাথ শাস্ত্ৰী নিন্দাত থকাৰ দৰে প্ৰশংসাতো নিৰুত্তৰ হৈ থাকিল।

কিছুদিনৰ অন্তত মহাৰাজ শ্ৰৱণবৰ্মাৰ ৰাজসভালৈ এজন সংগীত আহিল আৰু সেই সংগীতজ্ঞই মহাৰাজক ক'লে, “মহাৰাজ! মই বহু ৰাজ্যৰ বহুতো সংগীত-প্ৰতিযোগিতাত বিজয়ী হৈছোঁ। সৰ্বত্ৰ সৰ্বজনে মোৰ শ্ৰেষ্ঠত্বক মানি লৈ এইবোৰ হীৰক-বলয়, স্বৰ্ণবলয়েৰে মান ধৰিছে! মোক যিজনে সংগীতত পৰাজিত কৰিব পাৰিব, এই সকলো অৰ্জিত সম্পদ তেওঁক প্ৰদান কৰাৰ উপৰিও মই তেওঁৰ দাসানুদাস হ'ম।”

এই বিদেশী — সংগীতজ্ঞৰ কথাত

অপমান পাই ৰজাই সোমনাথ শাস্ত্ৰীলৈ ঘূৰি চালে। মহাৰাজে যেতিয়া এইবাৰ পুনৰ শাস্ত্ৰীয় সংগীতৰ আয়োজন কৰাৰ কথা ক'লে, তেতিয়া সোমনাথ শাস্ত্ৰী ক্ৰুদ্ধ হৈ উঠিল। তথাপি, ৰাজাজ্ঞা পালনৰ বাবে তেওঁ প্ৰস্তুত হ'ল।

এইবাৰৰ সংগীত-প্ৰতিযোগিতাই অতি আকৰ্ষণীয় ৰূপ ল'লে! শাস্ত্ৰীয় সংগীতৰ প্ৰকৃত মাধুৰ্য্য যে কি—মহাৰাজ শ্ৰৱণ-বৰ্মাই তেতিয়াহে মনে-চিতে অনুভৱ কৰিব পাৰিলে। সংগীত সভাত উপস্থিত প্ৰতিজনেই আপোনপাহৰা হৈ শাস্ত্ৰীয় সংগীতৰ মাধুৰী উপভোগ কৰি থাকিল।

এইদৰে বহু সময়লৈকে শাস্ত্ৰীয়-সংগীতৰ লহৰি চলি থাকিল। তাৰ পাছত এসময়ত সেই সংগীতজ্ঞই সোমনাথ শাস্ত্ৰীৰ পদতলত পৰাজয় বৰণ কৰিলে।

তাৰ পাছত—পৰাজিত বিদেশী সংগীতজ্ঞই তেওঁৰ যথাসৰ্বস্ব—অৰ্থাৎ য'ৰপৰা যিমান সি পুৰস্কাৰ-উপহাৰ পাইছিল, সকলো সোমনাথ শাস্ত্ৰীৰ পদতলত থৈ, আঁঠু কাঢ়ি বহি লৈ, সোমনাথ শাস্ত্ৰীলৈ চাই ক'লে, “হে মহান সংগীতবেত্তা! মই পৰাজয় মানি লৈছোঁ আৰু আপোনাৰ বিজয়লৈ জনাইছোঁ উষ্ণ অভিনন্দন। মই আপোনাৰ দাসানুদাস. মোৰ সমস্ত অহংকাৰ আজি চূৰ্ণ-বিচূৰ্ণ হ'ল।



অলপ সময়ৰ পাছত স্বয়ং মহাৰজাই এই বিদেশী সংগীতজ্ঞগৰাকীক সসন্মানে বিদায় দিলে।

তাৰ পাছত—মহাৰাজ শ্ৰৱণবৰ্মাদেৱে পৰিপূৰ্ণ ৰাজসভাত সংগীতজ্ঞ সোমনাথ শাস্ত্ৰীৰ শলাগ ল'লে। ৰাজসভাস্থ প্ৰতিজনেই এই মহান সংগীতজ্ঞৰ প্ৰশংসাত পঞ্চমুখ হ'ল। ৰাজসভাৰ সদস্যবৰ্গই একেলগে থিয় হৈ উষ্ণ অভিনন্দন জ্ঞাপন কৰি সোমনাথ শাস্ত্ৰীৰ গুণৰ মান ধৰিলে।

মহাৰাজ শ্ৰৱণবৰ্মাদেৱে সোমনাথ শাস্ত্ৰীৰ হাত এখনত ধৰি আবেগমথিত কণ্ঠেৰে ক'লে, "শাস্ত্ৰীজী! আপুনি এগৰাকী তুলনাহীন মহান বিদ্বান। ভৱিষ্যতত আপুনি সদায় আমাক কেৱল শাস্ত্ৰীয়-সংগীত শুনাব, লোকগীতৰ দৰে গীত-মাতৰ কথা এতিয়াৰপৰা আপুনিও সম্পূৰ্ণ বিস্মৃত হোৱাই ভাল।"

কিন্তু—তেওঁৰ এই বিজয়ে—বিদেশী সংগীতজ্ঞক পৰাজিত কৰি—সোমনাথ শাস্ত্ৰীৰ মনত অলপো সন্তুষ্টিৰ ভাব নাহিল। মহাৰাণীয়ে তেওঁৰ প্ৰাণত যি ক্ষতৰ সৃষ্টি কৰিছিল, যি নিম্নশ্ৰেণীৰ ৰুচিৰ প্ৰকাশ কৰাত মহাৰাণীয়ে তেওঁক বাধ্য কৰিছিল, সেই ক্ষুদ্ৰতাৰ কথা শাস্ত্ৰীদেৱে মুহূৰ্তৰ বাবেও বিস্মৃত হ'ব পৰা নাছিল। তেওঁৰ মন-প্ৰাণত অশান্তিৰ একুৰা জুই উমি উমি জ্বলিয়েই থাকিল।

পাছদিনা ৰজা শ্ৰৱণবৰ্মাদেৱে পুনৰ সোমনাথ শাস্ত্ৰীক ৰাজসভালৈ মতাই পঠালে এজন কটকীৰ হতুৱাই। কিন্তু ৰজাৰ কটকীয়ে সোমনাথ শাস্ত্ৰীক লগ নাপালে। সোমনাথ শাস্ত্ৰীয়ে উপজি পুৰাতেই সেই ৰাজ্য এৰি গুচি যোৱাৰ কথা মহাৰাজলৈ পত্ৰযোগে লিখি থৈ গৈছিল।

সংগীতজ্ঞ সোমনাথ শাস্ত্ৰীদেউ কিয় এইদৰে গুচি গ'ল—কোনেও নাজানিলে।

অধিকাৰতকৈ ডাঙৰ

বিয়া হোৱাৰ এপষৰ ভিতৰতে সুমিতাই শহুৰ-ঘৰৰ হালচালৰ বুজ পালে। শাহুৱেক যে অতি হিচাপী আৰু কঠোৰ শ সনৰ মানুহজনী সেই কথাও অবিদিত হৈ নাথাকিল। শহুৰেক বলৰামদেউ যে কামত মাত্ৰ গিৰিহঁত, বাস্তৱত যে শহুৰেকই ঘৰখনৰ চকৰি চলায়, সেই কথা দেখ দেখ নহ'লেও সুমিতাই বেধ কৰিব পাৰিলে। শাহুৱেক মনোৰমাই যি ক'ব যা ক'ব—তাতেই হয় ক'ব শহুৰেকে। সুমতিৰ গিৰিয়েকৰ কথাৰ কোনো দাম নাই ঘৰখনত, মাকৰ প্ৰতাপ দেখি মকমকায় কেতিয়াবা, কৰিব একোৱেই নোৱাৰে কৰিবলগা নায়ো বৰ, কৰিলেও বিপদ হ'ব। সেইদেখি বোবা-হেনেই হৈ থাকে, মাতিবলগীয়া কথাতো মাতো এবাৰো কেতিয়াও নামাতে।

এদিন এক অদ্ভুত ঘটনা সুমিতাৰ চকুত পৰিল। ননন্দেক ৰাধাই এখন কাঁহীত নানান ধৰণৰ খোৱাবস্তু বাঢ়ি লৈ ক'ৰবালৈ গৈ আছে।

সুমিতাই ননন্দেকক সুধিলে, "ৰাধা, অ'—ৰাধা, সেইবোৰ খোৱাবস্তু লৈ ক'লৈনো যোৱা?"

ৰাধাই সহজভাবেই ক'লে, "মই আমাৰ আইতাক খুৱাবৰ কাৰণে প্ৰতি-দিনেই লৈ যাওঁ, নবৌ।"

ৰাধাই এই কথা কোৱাত সুমিতাই অবিশ্বাসৰ সুৰেৰে ৰাধাক ক'লে, "কি কৈছানো? তোমাৰ আইতা—এতিয়াও জীয়াই আছেনে?"

ৰাধাই ক'লে, "কেলেই জীয়াই

অমিতা চৌধুৰী



নাথাকিব ? চাবা যদি—মোৰে সৈতে ব'লা, এতিয়াই তুমি নিজৰ চকুৰেই চাই আহিবা।"

সুমতিজনী ৰাধাৰ কথামতে তাইৰ পিছে পিছে গৈ থাকিল।

ৰাধাই সুমিতাক কিছু আঁতৰত থকা গোহালিলৈ লৈ গ'ল। তাত, গোহালিৰ এচুকতে, সৰু তক্তাপোচ এখনৰ ওপৰত শুই আছিল এজনী বুঢ়ী। ৰাধাই ক'লে, "এৱেঁই আমাৰ আইতা।"

এনে দুৰ্গন্ধময় পৰিবেশত গোহালিত আইতাকক দেখা পাই সুমিতাৰ দুচকু সেমেকি উঠিল। বুঢ়ী আইতাকে সুমতিক হাত-বাউল দি মাতিলে। সুমতিয়ে তেওঁৰ ভৰিৰ ধূলা ল'লেহি।

বুঢ়ীয়ে সুমতিক সুধিলে, "তুমি—তুমি আমাৰ নাতি-ৱোৱাৰীনে কি?"

সুমতিয়ে মূৰ দুপিয়ালে।

বুঢ়ী আইতাকে সেহাই সেদাই ক'লে "দেখাত ভগৱতীহেন লাগিছে তোমাক, আই। সুৰেশক ভালকৈ চোৱা-চিতা কৰিবা—এয়ে আশীৰ্বাদ কৰিছোঁ—।"

ৰাধাই সুমতিক ক'লে, "নবৌ, এতিয়াই ঘৰলৈ ব'লা, তোমাক ইয়ালৈ লৈ অহা বুলি মা'ই যদি কেনেবাকৈ গম পায়, তেনেহ'লে কথা বিষমেই হ'ব।"

বাটত সুমতিয়ে ৰাধাক সুধিলে, "তোমাৰ আইতাৰা এই গোহালিত থাকে কিয়? ঘৰত কিয় নাথাকে?"

"আইতাৰ কিবা এটা সোঁচৰা বেমাৰ আছে হেনো—সেইহে—ঘৰত থাকিলে সেই বেমাৰে সকলোটিকে ছুব বুলিহে আইতাক গোহালিত থাকিবলৈ দিয়া হৈছে।" ৰাধাই ক'লে।

পাছদিনাই শাহুৱেক মনোৰমাৰ মাকৰ বেমাৰৰ খবৰ আহিল আৰু খবৰ পায়েই মনোৰমাই মাকক চাবলৈ গ'ল। যোৱাৰ আগতে ঘৰৰ আটাইবোৰ চাবি বোৱাৰীৰ হাতত চমজাই দি থৈ গ'ল।

চাৰিদিনৰ পাছত সুমতিৰ ককায়েক সুদৰ্শন আহিল—ভনীয়েকক চাবলৈ। সুদৰ্শন আছিল নাম-ডাক থকা চিকিৎসক। সুমতিয়ে আইতাকৰ বেমাৰৰ কথা তাইৰ ককায়েকক ক'লে।

সুদৰ্শনে বুঢ়ী আইতাকক পৰীক্ষা কৰি ক'লে যে—সামান্য দৰব খালেই তেওঁৰ এই বেমাৰ ভাল হৈ যাব। কিন্তু তেওঁক লাগিব পৰিশুদ্ধ। এনেকৈ গোহালিত পেলাই থ'লে বেমাৰ বাঢ়িহে, নকমে।

সুমতিয়ে ককায়েকে কোৱা কথাখিনি গিৰিয়েকক বুজাই ক'লে। তাৰ পাছত আইতাকক গোহালিৰপৰা পুনৰ ঘৰলৈ লৈ অহা হ'ল।

তাৰ পাছত মনোৰমা মাকক চাই উভতি আহিল, আহি ঘৰতে বুঢ়ী আইতাক—অৰ্থাৎ তেওঁৰ শাহুৱেকক দেখা পাই ভূত দেখা দি উচপ খাই উঠিল আৰু চিঞৰি চিঞৰি কৈ থাকিল, "এই বুঢ়ীক ইয়ালৈ কোনে লৈ আহিলি? ইয়াৰ গাত থকা সেঁচৰা বেমাৰে আমাকো খাব!"

তেতিয়া সুমতিয়ে তাইৰ শাহুৱেক মনোৰমাক ক'লে, "মোৰ ককাইদেউ হ'ল নাম-ডাক থকা বৈদ্য। আপুনি আপোনাৰ মা'ক চাবলৈ যোৱাৰ দিনাই ককাইদেউ ইয়ালৈ আহিছিল আৰু তেওঁ ভালকৈ চাই

দৰব দিলে আৰু ক'লে যে—বেমাৰীক এই গোহালিৰপৰা তুৰন্তে ঘৰলৈ লৈ যাব লাগে। আপুনি চাওক — তিনিদিনতে আইতাৰ স্বাস্থ্য-শৰীল কিমান যে ভাল হ'ল!"

কিন্তু মনোৰমাই এইবোৰ কথা কাণতো নুতুলিলে, যদিও—তেওঁ খঙতেই হওক বা যি কাৰণতে নহওক—একো উত্তৰো নিদিলে, চুপচাপ থাকিলা।

পাছদিনা—সুমতিয়ে সুদৰ্শনৰ সহায়ত কাম এটা কৰিলে, এটা বিশেষ বড়ি পানীৰ লগত মিহলাই শাহুৱেকক খুৱালে। দুটা-মান দিনৰ পাছত মনোৰমাই ইমান কাহি

থাকিল যে পাটী নোলোৱাকৈ নোৱাৰিলে।

তাৰ পাছত সুমতিয়ে ঘৰখনত সদা-সৰ্বক্ষণ চিঞৰ-বাখৰ কৰি থাকিল। তাই চিঞৰি চিঞৰি কৈ থাকিল, "ইমান কাহ —কি কাহ কেনেকুৱা কাহ কোনে ক'ব? এয়া যে খেহৰোগৰ কাহ নহয় কেনেকৈ কোৱা যাব? এজনীৰ কাৰণে আমি সোপাই মৰিননে?"

বছ, মনোৰমাক এইবাৰ গোহালিলৈ লৈ যোৱা হ'ল, ৰাধাজনীয়েই গোহালিত ভাতমুঠি দি থৈ অহা হ'ল।

কেইদিনমানৰ পাছত এদিন মনোৰমাই ৰাধাক ক'লে, "ঐ ৰাধা, মই আৰু ইয়াত থাকিব নোৱাৰিম। মোক ঘৰলৈ লৈ ব'ল।

"আইতা বেমাৰত পৰাত আমি তেওঁক ইয়াতে থৈছিলোঁ নহয়? তুমিও ইয়াতে থাকিবা বুলি শুনিলোঁ।" ৰাধাই ক'লে। শুনি মনোৰমাৰ চকুলো ওলাল।

তিনিদিনৰ অন্তত মনোৰমাক গোহালিৰ-পৰা ঘৰলৈ লৈ যাবলৈ পো-বোৱাৰী দুয়ো আহিল। মনোৰমাই খঙতে গুজৰি উঠি ক'লে, "নেলাগে নিব মোক, মই এ'তে আছোঁ, এ'তে থাকিম।"

তেতিয়া পুত্ৰ সুৰেশে ক'লে, "তুমি ইয়াত থকা বুলি জানি আইতাই খোৱা-বোৱা এৰিলে। তোমাক ইয়াৰপৰা লৈ নোযোৱালৈকে আইতাই একোপধ্যেই খোৱা-বোৱা নকৰিব।"

এই কথা শুনাৰ লগে লগে মনোৰমাই হুৰাওৰাৱে কান্দি উঠিল। ইমান সুন্দৰ মনৰ শাহুৱেকক তেওঁ যে কিমান দুখ দিছিল—এতিয়া সেই কথা ভাবি তেওঁৰ বুকু জুৰাবৰ ঠাই নোহোৱা হ'ল।

সংসাৰত—অধিকাৰতকৈ প্ৰেমেই যে অধিক শান্তিদায়ক—সেই কথা উপলব্ধি কৰি, ঘৰলৈ উভতি গৈ মনোৰমাই তেওঁৰ শাহুৱেকৰ ভৰিৰ ধূলা মূৰত লৈ পৱিত্ৰ হ'ল।



বীৰ হনুমান

১৭

হনুমানক বধিবৰ মনেৰে অস্ত্ৰ দাঙি থৈ থকা বিশুম্ভ আদি ৰাক্ষস বীৰক ৰহি থাকিবলৈ কৈ, বিভীষণে ৰাৱণক প্ৰণাম কৰিলে আৰু ক'লে, "বিজ্ঞ লোকসকলৰ মতে শিল চিকুটিলে নখহে ক্ষয় হয়। আৰু যুদ্ধ কোনো ধেমালি নহয়, সৰ্ব উপায়ৰ অন্ততহে যুদ্ধৰ কথা ভবা উচিত। ৰামচন্দ্ৰ দুৰ্বল—এই কথা ভবাৰ হেতু কি! তদুপৰি, এওঁলোকৰ ওপৰত ঈশ্বৰৰ কৃপা আছে—এই কথা নিৰ্দ্বিধাৰেই ক'ব পাৰি। নহ'লেনো হনুমান নামৰ সামান্য বানৰ এটিয়ে ইমান সুৰক্ষিত লংকাপুৰী ছাৰখাৰ কৰি নিৰ্বাধাৰে গুচি যাব পাৰেনে? ৰামচন্দ্ৰৰ অপৰাধেইবা কি? ৰামচন্দ্ৰই আমাৰ খৰ নামৰ ৰাক্ষস বীৰক বধিছিল, আৰু কোৱা হৈছে যে—তাৰেই প্ৰতিশোধাৰ্থে সীতাদেৱীক অপহৰণ কৰি অনা হৈছে। কিন্তু এই কাৰ্য্যকো দ্বিধাহীনভাবে সমৰ্থন কৰিব নোৱাৰি। কিয়নো, খৰে ৰামচন্দ্ৰক আক্ৰমণ কৰাতহে ৰামচন্দ্ৰই প্ৰতি-আক্ৰমণ কৰি খৰক বধিছিল। আত্মৰক্ষাৰ অধিকাৰ সৰ্বত্ৰ স্বীকৃত। সীতাদেৱীক লংকালৈ লৈ অহাৰ ফলত সুৰম্য-সুৰক্ষিত লংকাত বিপদৰ বীজ উপ্ত হৈছে। সীতাক এই মুহূৰ্ত্তেই ৰামচন্দ্ৰৰ ওচৰলৈ সসন্মানে ওভোতাই লৈ যোৱা আমাৰ কৰ্তব্য। ৰামচন্দ্ৰ অপাৰ পৰাক্ৰমশালী। ৰামচন্দ্ৰক শান্ত নকৰিলে ৰাক্ষসৰাজ্য

‘শৰণাগত বিভীষণ’

অশান্ত হৈ উঠিব—এই কথাত অনুমাত্ৰ সন্দেহৰ থল নাই।"

বিভীষণৰ বক্তব্য শুনি ৰাৱণৰ মূৰত জুইহে জ্বলিল। তেওঁ সাতকুৰা অগ্নিমূৰ্তি হৈ ক'লে, "মই কালৈকো পৰোৱা নকৰোঁ। ৰামে মোৰ নোম এডালিও লৰাব নোৱাৰিব, সীতাক উদ্ধাৰি লৈ যোৱাৰ কথা বাদেই। ৰাম মোৰ আগত তেনেই তুচ্ছ!"

মন্ত্ৰণা-সভা আৰম্ভ হ'ল। প্ৰহস্তলৈ চাই ৰাৱণে ক'লে, "হে সেনাধীপ! আমাৰ নগৰৰ সুৰক্ষাৰ বাবে নিশ্ছিদ্ৰ বন্দৰস্ত যথাসম্ভৱ কৰিব লাগে।"

প্ৰহস্তই ক'লে "মহামহিম মহাৰাজ! এই বিষয়ে মই মোৰ যথাকৰ্তব্য ইতিমধ্যেই পালন কৰিলোঁ। দাসানুদাসক আৰু কিবা আদেশ দিয়েনে?"

ৰাৱণে সমগ্ৰ সভাখনকে সম্বোধি ক'লে, "যেতিয়া ধৰ্ম-সংকট উপস্থিত হয়, তেতিয়া কি কৰিব লাগে—সেই কথা মই তোমালোকক নক'লেও নিশ্চয় হ'ব। এতিয়া মই যি ক'ম, কেৱল কুম্ভকৰ্ণ বাদে, সেই কথা আন সকলোটিৰ ক্ষেত্ৰতে প্ৰযোজ্য। কুম্ভকৰ্ণই বিগত ছমাহ কাল ধৰি নিদ্ৰামগ্ন হৈ থকাৰ অন্তত, সদ্যহে সাৰ পাইছে! গতিকে—তাক বাদ দিয়া যাওক। —মই দণ্ডকাৰণ্যৰপৰা ৰামৰ পত্নী সীতাক লৈ আহিছোঁ, সীতাৰ নিচিনা সৌন্দৰ্য্যৱতী ত্ৰিভুৱনত নাই এতিয়া—ৰাম নামৰ অতি দুৰ্বল নৰ এটাই উদ্ধাৰি লৈ যাবহি বুলি সীতাই বাট চাই ৰৈ আছে। কিন্তু সুবিস্তীৰ্ণ সাগৰ পাৰ হৈ ইয়ালৈ আহি আমাক পৰাজিত কৰি সীতাক উদ্ধাৰি লৈ যোৱাটো ক্ষুদ্ৰ নৰ ৰামৰ পক্ষে কেনেকৈ যে সম্ভৱ—ভাবি উলিয়াব পৰা নাই। কিন্তু তথাপি—তথাপি, যদিহে কিবা অবিশ্বাস্য উপায়েৰে ৰাম-লক্ষ্মণ সসৈন্যে লংকাপুৰী আহি পায়েইহি—তেতিয়া আমি কি কৰিম?

মাত্ৰ এটা বান্দৰেই আমাক যেনেকৈ চূণ-খাৰ কৰিলে সি ভাবিবলগীয়া কথা। সাগৰৰ সিপাৰে ৰাম-লক্ষ্মণ। সুগ্ৰীৱ আদি অসংখ্য বানৰসৈন্য পৰিবৃত হৈ লংকাপুৰী আক্ৰমণ কৰিবলৈ বৈ আছে। সীতাক ওভোতাই নিদিওঁ যদি— তোমালোকে সেই ৰাম-লক্ষ্মণক বধিব নোৱাৰিবা জানো? বানৰ সৈন্যইত সঁচাকৈয়েই এনে দুস্তৰ সাগৰ অতিক্ৰমি সুৰক্ষিত লংকাপুৰী পাবহি পাৰিব বুলি তোমালোকে ভাবানে? এইবোৰ কথা ভালকৈ গমি-পিটি মোক ক'বা।"

ৰাৱণৰ কথাত কুম্ভকৰ্ণৰ খং উঠিল। কুম্ভকৰ্ণই ৰাৱণক ক'লে, "তুমি যেতিয়া ৰাম-ভাৰ্য্যা সীতাক অপহৰণ কৰিছিলা, তেতিয়া কাৰো সৈতে কিবা ধৰণৰ পা-পৰামৰ্শ কৰিছিলানে? এতিয়া আমাৰ সৈতে তেন্তে কিহৰ পৰামৰ্শ? সীতাক পলুৱাই লৈ অহাৰ পৰিণাম যে কি হ'ব—সেই ধাৰণা তোমাৰ নাছিলনে? যি কি নহওক—ৰামচন্দ্ৰই যে তোমাক এতিয়ালৈকো বধ কৰা নাই, সেয়া তোমাৰ সৌভাগ্য বুলিয়েই ক'ব লাগিব। এতিয়া ইমান চিন্তিত নহ'লেও হ'ব। তোমাৰ আটাইবিলাক শত্ৰুক মই একেলগে খাই দিম, চিন্তা নকৰিবা।"

কুম্ভকৰ্ণৰ কথাত ৰাৱণ যথেষ্ট ক্ৰুদ্ধ হোৱালৈ চাই ৰাৱণক শান্ত কৰাৰ মনেৰে ৰাক্ষস-বীৰ মহাপাৰ্শ্বই এই প্ৰকাৰে ৰাৱণক স্তুতিবাক্য ক'লে:

"সীতাৰ কথাত তুমি অলপো ভয় নকৰিবা। তুমিয়েই নিয়ন্তা, তোমাৰনো ডৰ কিহলৈ? তোমাক বাধা দিব পৰা ক'তো কোনো নাই। আমাৰ কুম্ভকৰ্ণ, ইন্দ্ৰজিৎ থাকোঁতে কিহৰ ডৰ কিহৰ ভয়? আমি হেলাৰঙে ভক্ষণ কৰিম শত্ৰু সমুদয়।"

এই ধৰণৰ ভালৰি বোলোৱা কথাৰে পৰিতুষ্ট ৰাৱণে তৎপৰ মহাপাৰ্শ্বক ক'লে, "কথা এটা শুনা। সিদিনা ব্ৰহ্মাৰ ওচৰলৈ

গৈ থকা পুঞ্জিকস্থলা নামৰ অপ্সৰাঙ্গনীৰ সৈতে মই কিঞ্চিত অশাস্ত্ৰীয় আচৰণ কৰিছিলোঁ। কথাটো তাই ব্ৰহ্মাক লগালেগৈ। , তেতিয়া ব্ৰহ্মাই মোক এই বুলি সাৱধান কৰিলে যে—মই কেতিয়াবা বলাৎকাৰ কৰিলে মোৰ মস্তক শতধা—অৰ্থাৎ এশ খণ্ড হ'ব। ৰামে মোৰ ক্ষমতাৰ উমান নাপায় বুলিয়েই হে মৰণতে শৰণ ল'বলৈ ইয়ালৈ আহিব ধৰিছে।"

এইবাৰ বিভীষণ উঠি থিয় হ'ল। সভাগৃহৰ সকলোতে এবাৰ চকু ফুৰাই লৈ বিভীষণে ক'লে, "হে ৰাক্ষসৰাজ! তুমি কিয় সীতাদেৱীক অপহৰণ কৰি আনিলা ? সীতাদেৱী হ'ল মানৱী ৰূপত এক মহা সৰ্পিনী। এই মহাসৰ্পিনীয়ে দংশন কৰিবলৈ নৌ পাওঁতেই সীতাদেৱীক সসম্মানে ওভোতাই দিয়া, নহ'লে ৰামচন্দ্ৰই তোমাক বধ নকৰাকৈ নেৰিব।"

প্ৰহস্তই বিভীষণৰ এই অপ্ৰিয় কথাৰ প্ৰতিবাদ কৰি বিভীষণক ক'লে, "মহাৰাজ ৰাৱণৰ শক্তিৰ আগত ত্ৰিজগতৰ সকলো তেনেই তুচ্ছ। পুলস্ত্য বংশত তোমাৰ দৰে ভয়-পাতুৰা আন কোনো জন্মগ্ৰহণ কৰা নাছিল। ৰাম-লক্ষ্মণক বধিবলৈ আমাৰ যেই সেই এজন মাত্ৰ ৰাক্ষস বীৰেই যথেষ্ট। যি মহান মহাৰাজ ৰাৱণৰ ভয়ত আনকি দেৱতাসকলো থৰহৰিকম্প, সামান্য নৰ ৰামে তেওঁৰনো কি ক্ষতি কৰিব ?"

ৰাৱণেও বিভীষণক ককৰ্থিলে আৰু ক'লে, "এই কথা আন কোনোবাই কোৱাহেঁতেন সি ইমানপৰে জীয়াই নাথাকিলহেঁতেন। কিন্তু তুমি মোৰ ভাতৃ, সিহতুকে—।"

"তুমি মোৰ জ্যেষ্ঠভ্ৰাতা, পিতাৰ সমান। তোমাৰ মংগল চিন্তি যিকথা ক'লোঁ, তাৰ উত্তৰ যদি এয়ে হয়, ক'বলগীয়া নাই। মই বিদায় লৈছোঁ।"

পাছ মুহূৰ্তত আন চাৰিও ৰাক্ষসক

লগত লৈ গদাহস্তে বিভীষণ উৰিলা আকাশ, গৈলা লক্ষ্মণ-ৰাম য'ত আছে ৰাৱণ-ত্ৰাস। বিভীষণৰ লগত আছিল অনল, শৰভ, সম্পাতি আৰু প্ৰধন নামৰ ৰাক্ষস। ইহঁতে চাৰিওফালৰপৰা বিভীষণক আগুৰি ধৰি আছিল। বিভীষণে আকাশৰেপৰাই সুগ্ৰীৱলৈ ক'লে :

"দুষ্টমতি ৰাক্ষসৰাজ ৰাৱণৰ মই কনিষ্ঠ ভ্ৰাতা। মোৰ নাম বিভীষণ। ৰাৱণে জটায়ুক ৰধি সীতাদেৱীক লংকা-পুৰীলৈ লৈ গ'ল। শোকমগ্না সীতাদেৱী ৰাক্ষসী-পৰিবৃতা অৱস্থাত আছে। মই মহাৰাজ ৰাৱণক সুযুক্তিৰে শান্ত কৰি এই অন্যায়ৰ প্ৰতিকাৰাৰ্থে যথেষ্ট চেষ্টা কৰিও ব্যৰ্থ হৈছোঁ। ৰাৱণৰ নিয়তিয়েই মন্দ, নহ'লে নিশ্চয় সুযুক্তিলৈ কৰ্ণপাত কৰিলেহেঁতেন। মই তেওঁৰ ক্ৰোধৰ চিকাৰ হৈ পুত্ৰ-কলত্ৰ পৰিত্যাগ কৰি, শ্ৰীৰামচন্দ্ৰৰ শৰণ ল'বলৈ আহিছোঁ।"

বিভীষণৰ কথা শ্ৰৱণান্তে সুগ্ৰীৱে শ্ৰীৰামচন্দ্ৰক ক'লে, "বিভীষণ হ'ল ৰাৱণৰ কনিষ্ঠ ভ্ৰাতৃ, ৰাৱণৰ ওপৰত বিতুষ্ট হৈ হেনো তোমাৰ শৰণ ল'বলৈ আহিছে। কিন্তু বিভীষণৰ বক্তব্য বিশ্বাস কৰাৰ আগতে আমাৰ সাৱধান হোৱা আৱশ্যক। বিভীষণ ৰাৱণ-প্ৰেৰিত গুপ্তচৰ নহয় বুলি আমি কেনেকৈনো নিঃসন্দেহ হ'ম? এতিয়া বিভীষণক যদি আমি আশ্ৰয় দিওঁ,



পাছত এই গোঁজেই যে গজালি নহ'ব তাৰ নিশ্চয়তা কি? গতিকে—বিভীষণক আৰু লগতে তাৰ লগৰীয়া চাৰিটাকো বধ কৰাটোৱেই কিজানি শ্ৰেয়ঃ।"

শ্ৰীৰামচন্দ্ৰই তেওঁৰ ওচৰত বহি থকা হনুমান আৰু অন্যান্য বান্দৰবৈলৈ চাই ক'লে, "সুগ্ৰীৱৰ কথা শুনিলাই। এই বিষয়ে তোমালোকৰ বক্তব্য কি?"

প্ৰথমেই অংগদে ক'লে, "বিভীষণ যেয়েই নহওক—শত্ৰুপক্ষীয়। আৰু—শত্ৰুপক্ষীয়ৰ পিনে আমি চকু মুদি থাকিব নোৱাৰোঁ। বিভীষণৰ সম্পৰ্কে সকলো জানি লৈহে যি কৰণীয় কৰা আৱশ্যক।"

শৰভে ক'লে, "বিভীষণৰ ওচৰলৈ আমাৰ কোনোবা এজন অভিজ্ঞ গুপ্তচৰ পঠাব লাগে বিস্তৃতভাবে বিভীষণৰ বক্তব্যৰ সত্যাসত্য জানিবলৈ। এইবোৰ নাজানি বিভীষণক আশ্ৰয় দিলে তাৰ পৰিণাম ভয়াবহ হোৱাত কিমানপৰ?"

মৈন্দ্যাই ক'লে, "আমাৰ মাজৰপৰা সুদক্ষ কাৰোবাক বিভীষণৰ ওচৰলৈ পঠোৱা হওক দুষ্টমতি ৰাৱণৰ তলা-নলা, তথা তাৰ বৰ্তমান উদ্দেশ্যৰ কথা বিশদভাবে জানিবলৈ। আমাৰ প্ৰশ্নৰ উত্তৰত বিভীষণে যি ক'ব—তাৰেপৰাই আমি তাৰ স্বভাৱ-চৰিত্ৰৰ উমান ল'ব আৰু যথাকৰ্তব্যও স্থিৰ কৰিব পাৰিম।"

তাৰ পাছত হনুমানে ক'লে:

"বিভীষণকে পৰীক্ষাৰ অন্তত আশ্ৰয় দিব লাগে, এই কথা আমাৰ বক্তাসকলে মুক্তকণ্ঠে প্ৰকাশ কৰাত ভালেই হৈছে। কিন্তু—এই উপায় মোৰ সঠিক উপায় যেন লগা নাই, কিঞ্চিত অপায়হেনহে বোধ হৈছে। বিভীষণক আমাৰ ওচৰলৈ লৈ অহা হ'লেহে তেওঁৰ ভাল-বেয়াৰ বুজ, তেওঁ আমাৰ শত্ৰু নে মিত্ৰ তাৰ আন্দাজ ল'ব পাৰিম। নহ'লেনো—কেনেকৈ এইবোৰ জটিল বিষয়ৰ নিষ্পত্তি হ'ব? যি ব্যক্তি সমুখতে আছে, সেই ব্যক্তিৰ


Sankar

ওচৰলৈ গুপ্তচৰ প্ৰেৰণ কৰাৰেইবা আৱশ্যকতা কি? দূৰ দুৰণিত থকাজনৰ বিষয়েহে লাগিলে এনে ব্যৱস্থা গ্ৰহণ হয়তো সমীচীন, কিন্তু এইক্ষেত্ৰত সমীচীন বুলি ভাবিব নোৱাৰি। দেশ-কাল-পৰিস্থিতি ভেদে অৱস্থান্তৰ হয়, বিচিত্ৰ বিচিত্ৰ অৱস্থাৰ উদ্ভৱ হয়। বিভীষণৰ ক্ষেত্ৰতো তেনেহেন কিবা অৱস্থাৰ উদ্ভৱ হোৱাটো মুঠেই বিচিত্ৰ নহয়। বিভীষণে হয়তো দুষ্ট ৰাৱণক বুজাই-বঢ়াই সুস্থ অৱস্থালৈ ঘূৰাই অনাৰ প্ৰয়াস কৰোঁতেই অগ্নিমূৰ্তি ৰাৱণৰ ক্ৰোধৰ চিকাৰ হৈ পলাবলগা হ'ল। বিভীষণৰ আগমন আৰু আশ্ৰয়-প্ৰাৰ্থনা অকাৰণ নহ'ব পাৰে। এই সম্ভাৱনায়েই অধিক। মৈন্দ্যই কোৱা মতে—আমাৰ কোনোবা এজন বিভীষণৰ ওচৰ চাপি গৈ বিভীষণ এইদৰে ইয়ালৈ অহাৰ কাৰণ কি—সুধি আহিব লাগে। কিন্তু—সুধিবলগা কি আছে? আমাৰ সুধিবলগাখিনি বিভীষণেই কৈ দিয়া নাইনে? তেনেহ'লে—এজন বিপদত পৰা ব্যক্তিক অকাৰণ আমনি দিয়াৰ অৰ্থ কি? বিভীষণৰ কোনো কথাতে মই সন্দেহজনক একো দেখা নাই। বিভীষণৰ সমস্ত অৱয়ৱত ভদ্ৰশ্ৰী পৰিলক্ষিত হৈছে, কোনো চতুৰবৃত্তিৰ চিন-মোকামো তাত নাই।

"বালীক বধ কৰি যেনেকৈ আমাৰ বৰ্তমান বানৰৰাজ সুগ্ৰীৱক ৰজা পতা হৈছিল, ঠিক তেনেকৈ, হে শ্ৰীৰাম! ৰাৱণক বধ কৰি বিভীষণক লংকাপুৰীৰ ৰজা পতা হওক—এয়ে মোৰ একান্ত প্ৰাৰ্থনা। হ'ব পাৰে যে—মনত এনেহেন আশা লৈয়েই বিভীষণ আপোনাৰ ওচৰলৈ আহিল।—মই মোৰ মনৰ ধাৰণা, বিশ্বাস আৰু ইচ্ছাৰ কথা বিদিত কৰিলোঁ। এই বিষয়ে কিবা কৰা বা নকৰা সকলো আপোনাৰ সদিচ্ছা।"

অতৃপ্ত মানৱ

সুপ্ৰাচীনকালত চুৱাং নামৰ ৰাজ্যত এগৰাকী মহান শিল্পী আছিল।

এদিন এজন ধনাঢ্য ব্যক্তিয়ে কিছুমান শিল্পকৰ্ম কৰাবলৈ এইজন শিল্পীক মতাই অনালে। এই ধনী ব্যক্তিৰ বিলাসিতাপূৰ্ণ তথা আড়ম্বৰপূৰ্ণ জীৱনলৈ শিল্পীজনৰ মনত লোভ হ'ল আৰু ভাবিলে: এনে সুন্দৰ জীৱন নহ'লে জীৱন জীৱনেই নহয়।

দেৱী এগৰাকীয়ে শিল্পীৰ এই কথা শুনি পাছদিনাই শিল্পীক এজন অতি আঢ্যৱন্ত ব্যক্তিলৈ ৰূপান্তৰিত কৰিলে।

কিছুদিনৰ পাছত এজন উচ্চপদস্থ চৰকাৰী বিষয়া দোলাত উঠি সেই ফাললৈ গ'ল আৰু বাটৰ দুকাষৰ অধিবাসীহঁতে এই উচ্চপদস্থ বিষয়াজনক আভূমি নত হৈ প্ৰণাম কৰিলে। কিন্তু আঢ্যৱন্ত শিল্পীজনে বিষয়াজনলৈ ঘূৰিও নোচোৱাত বিষয়াজনৰ অনুচৰবিলাকে শিল্পীক পোতনি থেকেচা দিলে। শিল্পীয়ে ভাবিলে: কেৱল ধনেৰে কোনো লাভ নাই। উচ্চ পদাধিকাৰো লাগে, তেহে সুখ।"

ভবাৰ লগে লগেই দেৱীয়ে শিল্পীক এক উচ্চ পদাধিকাৰী কৰি দিলে।

এদিন উচ্চ পদাধিকাৰী শিল্পীয়ে তেওঁৰ অনুচৰবিলাকক লগত লৈ এক পাহাৰুৱা অঞ্চললৈ গ'ল আৰু তাৰ কিছুমান পাহাৰী-গাভৰুক জোকাবলৈ ধৰিলে। গাভৰুবিলাকে যেতিয়া চিঞৰ-বাখৰ লগালে, তেতিয়া দা, কুঠাৰ কোদাল লোৰ-কাঠি যাঠি-জোং ধনু-কাঁড় যাৰ হাতত যি আছিল লৈ শিল্পী আৰু তেওঁৰ লগৰীয়াহঁতক খেদি আহিল, আৰু

শিল্পীয়ে প্ৰমাদ গণি ভাবিলে যে এনে অসহায় উচ্চ পদাধিকৰী হোৱাতকৈ এই বাঘ হেন সাহসী পাহাৰী জনজাতিৰ মানুহ হোৱাহেঁতেন ভাল আছিল। লগে লগেই আমাৰ শিল্পী মহোদয় উচ্চ পদাধিকাৰী গুচি পাহাৰী মানুহ হৈ পৰিল।

কিছু দিনৰ পাছত এদিন থিয় ৰ'দত ঘামি-জামি খেতি-বাতিৰ কাম কৰি থাকোঁতে শিল্পীৰ মূৰ আচন্দ্ৰাই কৰি উঠিল—আৰু ঠিক তেতিয়াই এটুকুৰা ক'লীয়া ডাৱৰে খাওঁ খাওঁ মূৰ্তি ধৰা বেলিটোক ঢাকি ধৰাত শিল্পীয়ে ভাবিলে: আঃ! আচল শক্তিমান হ'ল এই ডাৱৰহে। এস্ ডাৱৰ হ'ব পৰাহেঁতেন!

আৰু মুহূৰ্ততে শিল্পী পাহাৰী মানুহ গুচি ডাৱৰ হৈ আকাশলৈ উৰি যোৱাৰ লগে লগেই কোবাল বতাহে ডাৱৰক ছিৰাছিৰ কৰি পেলোৱাত শিল্পীয়ে ভাবিলে: হাঁ! প্ৰকৃত শক্তিমান তেন্তে বতাহ! লগে লগে শিল্পী ডাৱৰ গুচি বতাহ হৈ পৰিল।

বতাহ হৈ শূন্যত বলি বলি হঠাৎ এটা পাহাৰৰ চূড়াত ঠেকা খাই বতাহ বপুৰাৰ গাতো হাজাৰ ছিৰা মেলিল, পাহাৰ পাহাৰেই থাকিল। শিল্পীয়ে ভাবিলে: পাহাৰৰ গাত ঠেকা খাই মোৰ কি দুৰাৱস্থা!

দেৱীয়ে শিল্পীক পাহাৰৰ এচটা সুন্দৰ শিললৈ ৰূপান্তৰিত কৰা হ'ল।

এদিন দুজন ভাস্কৰ আহিল এই পাহাৰলৈ—ভাস্কৰ্য্যৰ বাবে উপযুক্ত শিল বিচাৰি। চাই চাই এই শিলচটা ভাস্কৰদ্বয়ৰ পছন্দ হ'ল, আৰু কাটিবলৈ ধৰিলে।

তেতিয়া শলৰূপী শিল্পীয়ে দেৱীক সুঁৱৰি, আৰ্তনাদ কৰি উঠাত দেৱী তৎক্ষণাৎ উপস্থিত হ'লহি, দেৱীয়ে শিল্পীক ক'কে, "সকলো দেখিলাই, তুমি পুনৰ তুমি হৈয়েই অল্পতুষ্ট হৈ থাকা।" তেতিয়াহে শিল্পীৰ অতৃপ্তি গুচিল।

বিদ্যা কিয় লাগে

মহাৰাজ কুশলসেন আছিল কুন্তলদেশৰ শাসক। এদিন তেওঁৰ মনত হঠাৎ এটা কথাই মূৰ দাঙি উঠিল। কথা হ'ল : বিদ্যা কিয় আৰ্জিব লাগে। এই কথাটো মহাৰাজে ৰাজসভাত সুধিলে।

"বিদ্যা আৰ্জিলে ভালৰো ভাল চাকৰি পোৱা যায়, আৰু তাৰদ্বাৰা ধন উপাৰ্জন হয়।" ৰাজসভাৰ পণ্ডিত এগৰাকীয়ে ক'লে।

"বিদ্যা আৰ্জিলে মানুহে গৌৰব আৰ্জিব পাৰে। এই কাৰণে বিদ্যাৰ্জন অতি আৱশ্যকীয়।" কবি এগৰাকীয়ে ক'লে।

"বিদ্যাৰ দ্বাৰা কীৰ্তিমান হ'ব পাৰি।" প্ৰধানমন্ত্ৰীয়ে ক'লে।

"বিদ্বান সৰ্বত্ৰ পূজ্যতে। বিদ্যাৰূপী ধন—আনকি কোনো চোৰেও চুৰি কৰিব নোৱাৰে। বিদ্যাধনেই হ'ল শ্ৰেষ্ঠ ধন।" আন এগৰাকী বিদ্বানে ক'লে।

কিন্তু কোনো উত্তৰেই যে মহাৰাজক তুষ্ট কৰিব নোৱাৰিলে, সেই কথাটো উমানতে ঠাৱৰ কৰিব পাৰি ৰাজসভাৰ বিদূষক বিদ্যাধৰ উঠি থিয় হ'ল, আৰু মহাৰাজক ক'লে, "মহাৰাজ! মই আপোনাৰ প্ৰশ্নৰ যি উত্তৰ দিম, তাৰে আপোনাৰ খঙো উঠিব পাৰে।"

"তথাপি নিৰ্ভয়ে কোৱা। তোমাৰ উত্তৰ যিমানেই বেয়া নহওক, মই তোমাক শাস্তি নিদিওঁ। বিদ্যা কিয় ইমান আৱশ্যকীয়—তুমি তোমাৰ উত্তৰ নিঃচিন্ত মনেৰে কোৱাঁ।" মহাৰাজে ক'লে।

তেতিয়া বিদূষকে ক'লে, "মহাৰাজ! অতি সাধাৰণ কথা এটাক জটিল কৰি নোতোলাৰ বাবেও কিঞ্চিত বিদ্যা আৱশ্যকীয়।"

বিদূষকৰ কথা শুনি ৰাজসভাস্থ সকলোটিয়েই হাঁহি উঠিল।

কেইমূহূৰ্তমানৰ বাবে মহাৰাজ কুশলসেন স্তম্ভিত হৈ থাকিল। কিন্তু তাৰ পাছত তেওঁ হোহো-হাহাকৈ হাঁহি হাঁহি বিদূষকৰ উত্তৰৰ শলাগ ল'লে।

—জগদীশ চৌধুৰী



ধৰ্মযুদ্ধ

অলকাপুৰীৰ ৰজা বিক্ৰমদেৱৰ সেনাধক্ষ্য কণ্ঠীৰৱ আছিল মহান বীৰ। বিজয়াদশমীৰ জোনাক নিশা ৰজাই পা-পৰিয়ালে কণ্ঠীৰৱৰ সৈতে উদ্যানত কথ পাতি থাকোঁতে এজন ঘোঁৰাচোৱাৰী ভাৰে আহিল আৰু ৰজাৰ অনতিদূৰত ৰ'লহি। এই বিচিত্ৰ আগন্তুক ঘোঁৰাৰপৰা নামি আহিল। ৰাজ-পৰিয়ালৰ এজনে আগন্তুকক সুধিলে, "তুমি কোন? শত্ৰুনে মিত্ৰ?"

আগন্তুকে ক'লে, "মই শত্ৰুও নহওঁ, মিত্ৰও নহওঁ। হ'লোঁ এজন যোদ্ধা।"

"কি লাগে তোমাক?" ৰজাই সুধিলে।

"এজন যোদ্ধাক যি লাগে—মোকো নিজৰ বল-পৰাক্ৰমৰ পৰীক্ষাৰ বাহিৰে আৰুনো কি লাগিব?" আগন্তুকে ক'লে।

"ঠিক আছে, তোমাৰ সৈতে যুদ্ধ কৰিবলৈ আমাৰ সৈন্যাধ্যক্ষ তথা বীৰ যোদ্ধা কণ্ঠীৰৱ সাজু হৈ আছে।" ৰজা বিক্ৰমদেৱে ক'লে, আৰু লগে লগে কণ্ঠীৰৱ বহাৰপৰা দপাট্কৈ থিয় দিলে।

তেতিয়া আগন্তুক যোদ্ধাই ক'লে, "এই কুশাৰখন লোৱা আৰু তোমালোকৰ মাজত যিকোনো এজনে এই কুঠাৰেৰে মোৰ ডিঙিত এঘাপ মাৰি দিয়া, কিন্তু মাত্ৰ এঘাপ! যিজনে আজি মোক ঘপিয়াব, অহা বছৰ এই বিজয়াদশমীৰ দিনা সেইজনে এই কুঠাৰৰ ঘাপ মোৰপৰা ল'ব লাগিব।"

এনে বিচিত্ৰ চৰ্তৰ কথা শুনি সকলোটিয়েই হাঁহি উঠিল, ইমান ধাৰ থকা কুঠাৰেৰে ঘপিউৱাৰ পাছতো অহা বছৰলৈ কোনোবা জীয়াই থাকিব পাৰেনে? এয়া

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

একেবাৰে ধুম-বলিয়াৰ কথা! কষ্ঠীৰৰ আগবাঢ়ি আহি আগন্তুকৰ হাতৰ-পৰা ধৰাল কুঠাৰখন লৈ আগন্তুকৰ ডিঙিত কুঠাৰেৰে এঘাপ মাৰি দিলে। কিন্তু—

ইমান ধৰাল কুঠাৰৰ ঘাপ খায়ো আগন্তুক আগৰদৰেই স্থিৰ হৈ থাকিল। কুঠাৰখন যদিও ডিঙিত আধাখিনিমানেই সোমাই গৈছিল, তথাপি তেজো নোলাল, মানুহজনৰো কোনো দুখ-যন্ত্ৰণা নহ'ল। আগন্তুকে নিজেই নিজৰ ডিঙিৰপৰা কুঠাৰখন উলিয়াই আনিলে আৰু ডিঙিত হাত ফুৰাই চালে যে ক'ৰবাত কিবা হ'লনেকি।

তাৰ পাছত কষ্ঠীৰৰৰ পিনে আগৰ দৰেই সহজভাবে চাই ক'লে আগন্তুকে, "তুমি যি কথা দিলা, পাহৰি নাথাকা যেন। অহা বছৰৰ ঠিক এই বিজয়াদশমীৰ দিনা সৌ ঝঞ্ঝাৰপুৰৰ গিৰিদুৰ্গলৈ যাবা, তাতে মোক পাই যাবা।" এই কথা কৈয়েই আগন্তুক জঁাপ মাৰি ঘোঁৰাৰ পিঠিত উঠি কাঁড়ৰ গতিৰে গুচি গ'ল।

*

চাওঁতে চাওঁতে এবছৰ পাৰ হ'ল। বিজয়াদশমীৰ দিনটো ওচৰ চাপিল। সেই আগন্তুক যোদ্ধাৰ সম্পৰ্ক কি ৰজা কি মন্ত্ৰী কোনেও ৰাও-শব্দ নকৰা হ'ল। তেওঁলোকে একো স্থিৰ কৰিব নোৱাৰি অস্বস্তিত দিন যাপিবলৈ ধৰিলে। কথা বৰ সামান্য নহয়। সেই আগন্তুক যোদ্ধাই কষ্ঠীৰৰক ঘপিয়াব। তাৰ অৰ্থ—মৃত্যু!

তথাপি—নিজ মুখৰ অংগীকাৰ অস্বীকাৰ কৰিলে সমগ্ৰ ৰাজ্যত তাৰ প্ৰতিক্ৰিয়া হ'ব, হ'ব মহাৰাজ বিক্ৰমদেৱৰ দুৰ্যশ। এতেকে—মহাৰাজে বাধ্যত পৰি মনৰ দুখ মনতে সামৰি কষ্ঠীৰৰক তালৈ—অৰ্থাৎ ঝঞ্ঝাৰপুৰৰ গিৰিদুৰ্গলৈ যাবলৈ প্ৰস্তুত হ'বলৈ আদেশ দিলে।

কষ্ঠীৰৰ কিন্তু অলপো নদমিল। আনন্দিত মনেৰেই সেই গিৰিদুৰ্গলৈ বুলি ৰাওনা কৰিলে। বহু দূৰলৈ ঘোৰাৰ পাছত

কণ্ঠীৰৰ আৰু তেওঁৰ অশ্বটোও পৰিশ্ৰান্ত হৈ পৰিল। তেওঁ এঠাইত এজোপা গছৰ তলত ৰ'ল।

গছজোপাৰ তলত জিৰণি লৈ থাকোঁতেই হঠাৎ এক নাৰী কণ্ঠৰ তীব্ৰ আৰ্তনাদ উঠিল আৰু লগে লগে জিৰণি ল'বলৈ বহাৰপৰা পোনদাহে থিয় হৈ উঠি খোলা তৰোৱাল হাতত লৈ লৰৰি গ'ল। গৈ থাকোঁতেই কণ্ঠীৰে দেখা পালে—কিছুমান লুটিয়াৰে সুন্দৰী নাৰী এগৰাকীক কটকটীয়াকৈ বান্ধি তেওঁৰ বস্ত্ৰ-সামগ্ৰী-আ-অলংকাৰ সকলো লুট-পাত কৰিছে। কিন্তু তৰোৱাল দাঙি লৰৰি অহা কণ্ঠীৰক দেখা পায়েই সেই লুটিয়াৰবিলাকে ফেঁটীৰ মূৰ ছিঙা লৰ দি দৌৰি পলাল।

কণ্ঠীৰে সেই নাৰীগৰাকীৰ বান্ধোন তৰোৱালেৰে কাটি দিলে, আৰু সোধ-পোছ কৰি বুজি পালে যে এই নাৰীগৰাকী হ'ল এগৰাকী ৰাজকুঁৱৰী।

ৰাজকুঁৱৰীয়ে প্ৰত্যুপকাৰৰ বাবে এটা যাদু-আঙঠি দেখুৱাই কণ্ঠীৰক ক'লে, "মই আপোনাৰ ঋণ পৰিশোধ কৰিব নোৱাৰিম। তথাপি—এই সামান্য উপহাৰ গ্ৰহণ কৰে যদি—ভাল পাম। এই যাদু-আঙঠি পিন্ধি থাকিলে কোনো অস্ত্ৰই আপোনাৰ একো অনিষ্ট কোনো অৱস্থাতে কৰিব নোৱাৰিব।"

কিন্তু কণ্ঠীৰে সেই যাদু আঙঠি ল'বলৈ অস্বীকাৰ কৰি ক'লে, "মই এই যাদু-আঙঠি নলওঁ। কিয়নো তেতিয়া গিৰিদুৰ্গৰ মহান যোদ্ধাক প্ৰতাৰণা কৰা হ'ব, অত্যন্ত অধৰ্ম কৰা হ'ব।"

এই বুলি কৈ, সেই গছজোপাৰ তললৈ গৈ, কণ্ঠীৰে স্নান সমাপন কৰিবলৈ নৈলৈ গৈ থাকিল। আৰু ৰাজকুঁৱৰীও গৈ থাকিল সেই গছজোপাৰ ওচৰলৈ। স্নান সমাপন কৰি কণ্ঠীৰৰ যেতিয়া তালৈ পুনৰ উভতি আহিল, ৰাজকুঁৱৰী তাৰ

বহু আগতেই তাৰপৰা গুচি গৈছিল।

*

হাতত সেই কুঠাৰখন দাঙি লৈ গিৰি-দুৰ্গৰ যোদ্ধা কণ্ঠীৰৱৰ আগমনলৈ বাট চাই আছিল। কণ্ঠীৰৱ তালৈ গ'ল আৰু গিৰি-দুৰ্গৰ যোদ্ধাই আনন্দৰে কৈ উঠিল, "তুমি যে অংগীকাৰ পালন কৰিছা, তাৰ বাবে মই তোমাৰ শলাগ লৈছোঁ। হে বীৰশ্ৰেষ্ঠ! মোৰ সাদৰ নমস্কাৰ গ্ৰহণ কৰাঁ।"

কণ্ঠীৰৱে কৈ উঠিল, "আৰুনো দেৰি কিহলৈ, যোদ্ধাশ্ৰেষ্ঠ! আহাঁ, কুঠাৰেৰে ঘপিয়াই দিয়া। কিন্তু মনত ৰখিবা,—মাত্ৰ এঘাপহে!"

কিন্তু—এয়ানো কি হ'ল!

কেনেকৈনো ইমান ধৰাল কুঠাৰৰ ঘাপ খায়ো বীৰ কণ্ঠীৰৱ জীয়ায়েই থাকিল? কুঠাৰখন পুনৰ দাঙি লৈ গিৰিদুৰ্গৰ যোদ্ধাই কণ্ঠিৰৱক ক'লে "তুমি—তুমি নিশ্চয় এটা এটা ভণ্ড, প্ৰতাৰক, তোমাক মই···।"

"সাৱধান! গিৰিদুৰ্গৰ যোদ্ধা! সাৱধান!"

এই বুলি কৈ কণ্ঠীৰৱেও তৰোৱাল দাঙি যুঁজিবলৈ সাজু হ'ল।

তিমানতে ৰাজকুঁৱৰী আৰু সেই দেশৰ ৰজা তালৈ দ্ৰুতগতিৰে লৰবি আহিল, আৰু যুদ্ধৰত যোদ্ধা দুজনক যুদ্ধৰপৰা কথমপি নিবৃত্ত কৰিলে।

ৰাজকুঁৱৰীয়ে যে কণ্ঠিৰৱৰ আপত্তি সত্বেও সেই যাদু-আঙঠি কণ্ঠীৰৱৰ সাজ-পাৰৰ চোলাৰ জেপত থৈ দিছিল, সেই কথা আনুপূৰ্বিক বিবৰিলে। তেতিয়া গিৰিদুৰ্গৰ যোদ্ধা শান্ত হ'ল।

পাছত—ৰজাই কণ্ঠিৰৱৰ ধৰ্মজ্ঞান, বুদ্ধি, সাহস তথা প্ৰতিজ্ঞাত অটল থকাৰ গুণৰ শলাগ লৈ কণ্ঠীৰৱৰ সৈতে ৰাজকুঁৱৰীৰ বিবাহ পাতিলে আৰু কণ্ঠীৰৱক তেওঁৰ ৰাজ্যৰ উত্তৰাধিকাৰী পাতি সিংহাসনত অভিষিক্ত কৰিলে।

বাহিৰত ৰং-চং

জীতু হ'ল ৰাজকৰ্মচাৰী। জীতুৱে মাহেকত এহেজাৰকৈ মুদ্ৰা দৰমহা হিচাপে পায়, যদিও এশ মুদ্ৰাৰেই তাৰ সংসাৰৰ খৰচ হৈ যায়। এইদৰে, ৰইনাইদি কোঁচাই, ধমলাছ ধন বাছ ধন হ'লে ভাল মাছ হৈ, জীতুৰ চক্ষু চড়কগাছ!

মীতু আছিল জীতুৰ সৰুকালৰ বন্ধু। মীতুৱে খেতি-বাতি কৰিছিল। সিও আয়-উপাৰ্জন জীতুৰ সমানেই—বাতাতোইক বেছিকৈয়েই কৰিছিল। কিন্তু জীতুৱে সমাজত যি মান খাইছিল, মীতুৱে তাৰ কাষেদিও যাব পৰা নাছিল।

মীতুক জীতুৱে তলখাপৰ মানুহ বুলিহে গণ্য কৰিছিল।

জীতুৰ এনে মনোভাৱৰ উখান পাই মীতুৱে তাৰ মনত বৰ দুখ পালে। বহু বাৰ আলৈ-আহুকালত পৰা জীতুক মীতুৱে সহায় কৰিছিল, কিন্তু মীতুৱে সেই সহায়ৰ শলাগ পুৰি খোৱা হ'ল।

ৰাজ-দৰবাৰত জীতু কিমানৰ কি—নিজ চকুৰে চাই আহিবৰ মনেৰে মীতু এদিন ৰাজ-দৰবাৰলৈ গ'ল। ঠিক তেতিয়াই এজন উচ্চপদস্থ বিষয়াই জমক উঠি জীতুক বৰকৈ ডাবি মাৰি আছিল।

মীতুৱে অন্য এজন ৰাজকৰ্মচাৰীক সুধিলে, "মহাশয়, আমাৰ এই জীতু ডাঙৰীয়াক ডবিয়াই থকাজননো কোন? কিয়নো খামাখা জীতুক ডাবি মাৰিছে?"

এই কৰ্মচাৰীজনে মীতুক ক'লে, "আপুনি ইমান খোলাখুলিকৈ কথা নক'ব হেৰি, আস্তে-ধীৰে কওক। তেওঁ হ'ল আমাৰ অতি উচ্চ পদাধিকাৰী, তেওঁ

নীলিমা সিংহ

কাৰোবাক ডবিয়ালে -- তাৰ কোনো কাৰণ দৰ্শাব নালাগে।"

"কয় কি!" মীতুৱে অৱাক মানি ক'লে, "যিমানেই উচ্চ পদাধিকাৰী নহওক এইদৰে বেকছুৰ ডবিয়াই থাকিলে কিয় চুপচাপ হৈ থাকিব লাগিব? তেওঁক কোনোবাই কোনোদিনে এশিকা দিয়া নাইনে? প্ৰতিবাদ কৰা নাইনে?"

"প্ৰতিবাদ কৰিবলৈ হ'লে ধৈৰ্য্যৰ আৱশ্যক, আৱশ্যক হয় শক্তি-সামৰ্থ্যৰ, ন্যায়ধৰ্মিতাৰ, সৰ্বোপৰি সাহসৰ। এইবোৰ গুণ নথকাই প্ৰতিবাদ-প্ৰতিৰোধ কৰিবলৈ লয় যদি—চাকৰি নোহোৱা হ'ব, আৰু চাকৰিটি নোহোৱা হ'লেই বাহিৰত ভোগ কৰা মান-ইজ্জতৰো মুদা মৰিব।"

"কিন্তু—সেই বুলি তেওঁ চবকে হকে-বিহকে এনেকৈ ডবিয়াই থাকিবনে?"

"সকলোকে তেওঁ এনেকৈ নকয় নহয়? কিন্তু জীতুক কয়। কিয়নো—এইবোৰ ডাবি হুঁকি হজম কৰাৰ শক্তি আছে জীতুৰ।" কৰ্মচাৰীজনে হাঁহি মাৰি ক'লে।

সেই উচ্চ পদাধিকাৰী বিষয়াই তেতিয়া জীতুক কৈ আছিল, "হেৰা, এই কোঠাটো কিয় ইমান লেতেৰা হৈ আছে?

জীতুৱে ক'লে, "হুজুৰ! মৰং-চোৰাটো এতিয়ালৈকো অহাই নাই বুলিহে—"



"তুমি মৰাইনো কি কৰিছিলা?" উচ্চ পদাধিকাৰীয়ে ক'লে, "তাক বিচাৰি আনাগৈ। পালে ভাল—নাপালে তুমি নিজেই চাফা কৰিবা।"

জীতু তৎক্ষণাৎ ওলাই গ'ল, আৰু মৰং-চোৰাটোক ধৰি লৈ আহিলগৈ। তাৰ পাছতো বিষয়াজনে 'কিয় বিচাৰি আনোতে ইমান'দেৰি হ'ল'—তাৰ কৈফিয়ৎ জীতুৰপৰা বিচাৰিলে।

মীতুৱে উপলব্ধি কৰিলে যে—জীতুৰ জীৱনৰ বাহিৰে ৰং-চং হ'লেও ভিতৰত কোৰাভাতুৰীয়েই। জীতুৰ জীৱন হ'ল গোলামৰো গোলামৰ জীৱন। মীতুৱে

ভাবি থাকিল : মোৰ ওচৰত কোনেও হাত যোৰ নকৰে ঠিক কথা, কিন্তু কোনেও এনেকৈ গোলাম বুলি ভাবি অপমানজনক ব্যৱহাৰো নকৰে মোৰ লগত।

জীতুৱে ৰাজ-দৰবাৰৰ এচুকত মীতুক থিয় হৈ থকা দেখিছিল। কিন্তু পাছত আৰু নেদেখা হ'ল। মীতু কেতিয়াবাই দৰবাৰ এৰি গুচি গৈছিল।

এতিয়া—এই কথা ভাবি জীতুৱে ভয় খালে যে—দৰবাৰত হোৱাখিনি মীতুৱে আক-তাক কোৱা হ'লে তাৰ মান-ইজ্জতৰ মুদা মৰিব, সি আৰু লোক-সমাজত মূৰ দাঙিব নোৱাৰিব। গতিকে — জীতুৱে সেইদিনাই তাৰ ঘৈণীয়েকক লগত লৈ মীতুৰ ঘৰলৈ গ'ল।

মীতুৱে তেতিয়া তাৰ পৰিবাৰক জীতুৰ জীয়াতুৰ কথাবোৰ কৈ আছিল, ঠিক তেতিয়াই জীতুৱে মীতুৰ ঘৰ পালেগৈ।

জীতুক দেখা পায়েই মীতুৱে কৈ উঠিল, "মীতু, তুমি সঠিক সময়ত পাইছাহি। আমাৰ চাকৰটো যোৱা তুদিন ধৰি অহা নাই। আমাৰ বাৰীত ইমান জাবৰ-জোথৰ দ'ম খাই পৰিছে যে—। অলপ চাফা কৰি দিয়াচোন, পইচা যি লাগে দিয়া যাব।"

শুনি জীতু জালত পৰা বাঘ যেন হৈ উঠিল। জীতুৱে ক'লে, "সৰুকালৰ বন্ধু এজন ঘৰলৈ আহিছে আৰু তুমিনো—"

জীতুৰ পত্নীয়েও মীতুক ক'লে. "হাঁহি-ঠাট্টাৰো সীম থাকিব আৰু ৰাখিব লাগে।"

তেতিয়া মীতুৱে ক'লে, "মোৰ কথা তোমালোকে সমূলি বুজি নাপালা। ৰাজ-দৰবাৰত যিজনৰ কাৰণে থাকে অপমানাৰ খালৈ, বাহিৰতনো আত্মগৌৰৱৰ ইমান ফিতাহি কিহলৈ ? মই কিন্তু বাস্তৱিকতে ধেমালিয়েই কৰিছিলোঁ। ৰাজ-দৰবাৰৰ কাণ্ড চাই অহত এটা কথা ভাল হ'ল যে —ৰাজ-দৰবাৰৰ বাহিৰত জীতুও যিময়ো সি—সেই কথাটি খাট্টাং বুজা গ'ল।"



কেংগাৰুৰ দেশত।

কেংগাৰু নামৰ এই আচৰিত শাকজীৱি প্ৰাণীবোৰ একমাত্ৰ অষ্ট্ৰেলিয়াত পৰিদৃষ্ট হয়। এই প্ৰাণী-বিলাকৰ আগঠেং ভূখন চুটি, পিছঠেং দীঘল। কিন্তু ইহঁতে অতি দীঘলকৈ জঁাপ মাৰিব পাৰে। কেংগাৰুবিলাকৰ মাজত আটাইতকৈ ডাঙৰ-বিলাকৰ মূৰ একোটা ভেড়াৰ দৰে হয় আৰু ইহঁতে ৭ ফুটলৈকে (২'১৩ মিটাৰ) জঁপিয়াব পাৰে। সৰু-বিলাক আনকি এটা বিলাতী এন্দুৰতকৈও সৰু !

কুম্ভীৰাশ্ৰু !

মানুহ এজনে মানুহ মাৰি খালে সেই মানুহক ৰাক্ষস বা নৰখাদক বুলি কোৱা হয়। কিন্তু জন্তু-বিলাকৰ ক্ষেত্ৰত সেই কথা প্ৰযোজ্য নহয়, যদিও কুম্ভীৰ হ'ল তাৰ ব্যতিক্ৰম। কুম্ভীৰে এনে দুষ্কৰ্ম কৰিলে চকুলো টোকেনে? কুম্ভীৰৰ অশ্ৰু বা চকুলো কিন্তু আচলতে সিহঁতৰ দেহৰ মাজত থকা অতিৰিক্ত লুনীয়া পানী উলিওৱাৰহে পদ্ধতি !





'জিভা' হ'ল 'কাণ'!

সাপ-নচুৱা মানুহ কেতিয়াবা দেখিছানে? বাঁহী বজোৱাত সাপে নাচে—এই কথা এক ৰহস্যৰ কথা। বাঁহী নবজোৱাকৈ এনেয়ে ধৰি থাকিলে সাপটো নানাচিব। ই কেৱল ইফালে-সিফালে দুলি থাকিব। আচল কথা হ'ল যে—সাপৰ 'কাণ' বোলা একোৱেই নাই। সাপে তাৰ জিভাৰেহে স্পন্দন অনুভৱ কৰে! গতিকে—সাপে জিভাৰে শুনে বুলি আমি নিঃসন্দেহে ক'ব পাৰোঁ।

PolioPlus

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many

Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.



Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy: World Health Organisation

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৯২ চনৰ এপ্ৰিল সংখ্যাত প্ৰকাশিত হ'ব ।

M. Natarajan

M. Natarajan

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯২ চনৰ ফেব্ৰুৱাৰি মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026.

১৯৯১ চনৰ ডিচেম্বৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

[অনিবাৰ্য্য কাৰণত এই সংখ্যাৰ পুৰস্কাৰ স্থগিত থাকিল।

ভাৰতত বছৰেকীয়া বৰঙণি **চান্দমামা** ৪৮.০০ টকা মাথোন
বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :
Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

In a class of its own
Exclusive pencils for one and all,
L.P.P. LTD. ✱ PREMIER ✱ 261 ✱ HB ✱ BONDED LEAD
LION PREMIER® HB PENCILS
Sleek, Elegant, meant for executives and others, who like style A consistent dark tone for effortless writing - micronized lead for unbreakable points are what adds to its superiority.
PINKY
LION PINKY® PENCILS
Lion 'PINKY' Pencils Pretty Perfect, Ideal for children because of its pretty designs & colours. Strongly bonded lead for unbreakable points and super smooth writing add to its attraction.
L.P.P. LTD. Geematic DRAWING 555 6B
LION Geematic® DRAWING PENCILS
Lion Geematic Drawing Pencils. A unit for all Professionals like artists, architects, designers & engineers. Give expertise an edge. Available in 14 grades from H to 6H and B to 6B HB and F
LION PENCILS LTD
95, Parijat, Marine Drive
BOMBAY 400 002
National-356

চান্দমামা

মাহৰ-পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে
ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ
৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ
এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,
মহান জীৱন কাহিনী, উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ
১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত
ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

FREE!
BUNNY TEETH
INSIDE EVERY 100 GMS
POUCH OF COOKIES
মিঠাইৰ মাজত
নাৰিকল আছে
মুখত ললেই
মনটি নাচে
nutrine
COOKIES
লৰা-ছোৱালীয়ে গাই-নাচি মজা কৰে
কোকানাকা কুকীজ
THE FINEST, WIDEST RANGE
nutrine
India's largest selling sweets
Visesh/NC/9090/Ass